Admission : 2026-27
NEIMT
Website : neimtghy.org
Dr. RP Road, Ganeshguri, Ghy-06
Ph. : 98641-42817

# গণস্তম্ভ

সত্যৰ অন্বেষণত সত্য পথত

আপোনাৰ পৰিয়ালৰ
স্বাস্থ্য বীমা
সুনিশ্চিত কৰিবলৈ
আজিয়েই যোগাযোগ কৰক
IIS
INNOVATIVE INVESTMENT SOLUTIONS
GROWING YOUR MONEY FOR FUTURE DREAMS
৯৩৮৭৬২৮৩০০

RNI-Regd. No. : ASSASS/2017/74022
An Assamese Weekly News Paper
Website : www.ganastambha.in
Email : ganastambhanews@gmail.com
DIPR Apprved No. IPRD.02/2012/42
● Ganastambha Weekly, Vol-IX, No.-31, Guwahati, Friday, 3 April, 2026, Rs. : 7.00, Page : 8 ● নৱম বছৰ ● সংখ্যা ৩১ ● ১৯ চ'ত, ১৯৪৭ শক ● শুকুৰবাৰ, ৩ এপ্ৰিল, ২০২৬, মূল্য ঃ ৭/-, পৃষ্ঠা-৮

### অখিল-গৌৰৱ-লুৰীণৰ সন্মিলীত শক্তিয়ে আঘাত হানিব পাৰিবনে বিজেপিক ?

# তিনি গগৈ বনাম হিমন্ত বিশ্ব শৰ্মা





### ২০২৬-ৰ যুঁজত কাৰ পাল্লা হ'ব গধূৰ ?

**গণস্তম্ভ, নিউজ ডেস্ক, চন্দন কুমাৰ নাথ ঃ** অসমৰ সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপট এক অভূতপূৰ্ব আৰু আকৰ্ষণীয় সন্ধিক্ষণত উপনীত হৈছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ ৰণডংকা বাজি ■ ৬ পৃষ্ঠাত



### বাঁহজানীত কংগ্ৰেছৰ দুটাকৈ নিৰ্বাচনী কাৰ্যালয় মুকলি ঃ বিজেপি-কংগ্ৰেছৰ প্ৰচাৰ তীব্ৰতৰ

# গণতন্ত্ৰত একমাত্ৰ পাশুপাত অস্ত্ৰ ৰাইজৰ হাতত



**গণস্তম্ভ, বাঁহজানী, অজিত চক্ৰৱৰ্তী ঃ** নলবাৰী জিলাৰ ৩৯ নং নলবাৰী বিধানসভা সমষ্টিত নিৰ্বাচনী যুঁজ অধিক আকৰ্ষণীয় হৈ উঠিছে। শাসকীয় এন ডি এ মিত্ৰজোঁটৰ বিজেপি প্ৰাৰ্থী জয়ন্ত মল্লবৰুৱা, বিৰোধী ঐক্য মঞ্চৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী অশোক কুমাৰ শৰ্মা, এচ ইউ চি আই দলৰ পৰা কেনেডি পেগু আৰু মুক্তাৰ হুছেইন, চামচুল হক, চফৰ আলীয়ে নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই নিৰ্বাচনী প্ৰচাৰ চলাইছে যদিও প্ৰধানত বিজেপি আৰু কংগ্ৰেছ দলৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰ হৈ উঠিছে। আজি সন্ধিয়া কংগ্ৰেছ প্ৰাৰ্থী অশোক কুমাৰ শৰ্মাৰ হৈ অৱসৰপ্ৰাপ্ত শিক্ষক তথা প্ৰৱীণ কংগ্ৰেছ নেতা অনিল ভট্টই সমষ্টিটোৰ বাঁহজানীত উপস্থিত হৈ অঞ্চলটোত ■ ৬ পৃষ্ঠাত

### নলবাৰী কালাগত প্ৰায় ত্ৰিশ সহস্ৰাধিক লোকৰ উপস্থিতিত বিজয় সংকল্প সমাৰেশ

# ৯০ খনৰো অধিক আসনেৰে চৰকাৰ গঠন কৰিব বিজেপিয়ে ঃ মুখ্যমন্ত্ৰী

**গণস্তম্ভ, বৰক্ষেত্ৰী/বাহাৰঘাট ঃ** যোৱা ৩১ মাৰ্চত নলবাৰী জিলাৰ ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থী নাৰায়ণ ডেকাৰ হৈ বৰভাগ কালাগ হাইস্কুল খেলপথাৰত এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভা 'বিজয় সংকল্প সমাৰেশ'ত অংশগ্ৰহণ কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক দীঘলীয়া ভাষণত ড° শৰ্মাই কয়— 'এইবাৰ ৰাইজৰ মাজত এক অদ্ভুত পৰিৱেশ দেখিছোঁ। এইবাৰ ৰাইজে আমাক যিমান মৰম দিছে পূৰ্বে কেতিয়াও দেখা নাছিলোঁ। এইবাৰ অসমত বিজেপিয়ে ৯০ খনতকৈ অধিক আসন লাভ কৰি চৰকাৰ গঠন কৰিব। বৰভাগত আহি মই এই কথাটো ক'ব পাৰো যে যদি ১০০ খন আসনো লাভ কৰোঁ আচৰিত ■ ৬ পৃষ্ঠাত



### দিগন্ত কলিতাৰ হৈ নিৰ্বাচনী প্ৰচাৰ মুখ্যমন্ত্ৰীৰ

## বিহদিয়াত বিজয় সংকল্পত দুই লাখ নিবনুৱাক চাকৰিৰ প্ৰতিশ্ৰুতি

**গণস্তম্ভ, ষ্টাফ ৰিপ'ৰ্টাৰ, নীলমণি দাস ঃ** ৰাজ্যৰ পৰৱৰ্তী বিজেপি চৰকাৰৰ কাৰ্যকালত কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ দুই লাখ নিবনুৱা যুৱকক চাকৰিৰ লগতে ■ ৬ পৃষ্ঠাত

### মঙ্গলদৈ নৈৰ দলঙৰ কাম অজ্ঞাত কাৰণত বন্ধ ৰাখিলে ঠিকাদাৰে

## ৯ কোটি টকীয়া নিৰ্মাণ কাৰ্যত নিৰ্বাচনী গইণা



**গণস্তম্ভ, মঙলদৈ বিশেষ ঃ** মঙলদৈ চহৰৰ গাতে লাগি থকা মঙ্গলদৈ নৈ ওপৰত থকা বেইলি ব্ৰিজখন জৰাজীৰ্ণ হোৱাত এখন নতুন ফুট ব্ৰিজ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। সেই অনুপাতে যাৱতীয় কিছু কাম কৰি এটা চমক সৃষ্টি কৰাও পৰিলক্ষিত হৈছিল যদিও নিৰ্মাণ কাৰ্যত ব্যৱহৃত ■ ৬ পৃষ্ঠাত

### বিধায়ক আছিফ নাজাৰ সন্মুখতে গ'বেক ধ্বনি প্ৰতিবাদকাৰীৰ

## লাহৰীঘাটত জৰাজীৰ্ণ ৰাস্তাক লৈ স্থানীয় ৰাইজৰ প্ৰতিবাদ

**গণস্তম্ভ, লাহৰীঘাট, পুলক মেধি ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বৰবৰীত জৰাজীৰ্ণ পথক লৈ স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদ। প্ৰতিবাদকাৰী সকলকে বিধায়ক আছিফ নাজাৰৰ সন্মুখতেই আছিফ নাজাৰ গ'বেক, আছিফ নাজাৰ মুৰ্দাবাদ ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে, লাহৰীঘাট নগাঁও সংযোগী গড়কাপ্তানি পথৰ ■ ৬ পৃষ্ঠাত



### মৰিগাঁৱত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

## এইবাৰ ৰাইজে পৰিবৰ্তন বিচাৰিছে



**গণস্তম্ভ সেৱা, মৰিগাঁও ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনক লৈ মৰিগাঁও জিলাৰ মৰিগাঁও সদৰ সমষ্টিত ৰাজনৈতিক পৰিৱেশ দিনক দিনে অধিক উত্তেজনাপূৰ্ণ হৈ উঠিছে। এই ক্ষেত্ৰত অসম জাতীয় পৰিষদ ■ ৬ পৃষ্ঠাত


## মৈৰাবাৰী অঞ্চলত নিৰ্বাচনী তৎপৰতাৰ মাজতে জব্দ ১১ লাখ ২০ হাজাৰ

**গণস্তম্ভ, লাহৰীঘাট, পুলক মেধি ঃ** ৰাজ্যজুৰি নিৰ্বাচনী প্ৰচাৰ চলি থকা সময়তে মৈৰাবাৰীত ■ ৬ পৃষ্ঠাত

### গৌৰৱ কড়িয়ালে কাইজেন একাডেমীৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীয়ে

## পশ্চিমবংগত 'মিছ নেচনেল ডিভা ২০২৬'ত জিলিকিল ঢকুৱাখনাৰ দুনয়না

**গণস্তম্ভ, ঢকুৱাখনা, প্ৰতাপ দত্ত ঃ** পুনৰ এবাৰ সোণালী সফলতা কঢ়িয়াই আনিলে ঢকুৱাখনাৰ এগৰাকী কণমানি প্ৰতিভাই। 'জুনাকী এণ্টাৰটেইনমেণ্ট' নামৰ প্ৰতিষ্ঠানটিৰ উদ্যোগত ■ ৬ পৃষ্ঠাত



## ধৰ্মপুৰৰ ৰাজনৈতিক ঐতিহ্যৰ নতুন সমীকৰণ

### ২০২১-২০২৪ নিৰ্বাচনৰ ফলাফলৰ ওপৰত বিশ্লেষণ

**গণস্তম্ভ সেৱা, বাঁহজানী ঃ** নলবাৰী জিলাৰ পূৰ্বৰ ধৰ্মপুৰ বিধানসভা সমষ্টিৰ পৰা পুনৰ গঠন হোৱা বৰ্তমানৰ ৪০ নং টিহু বিধানসভা সমষ্টি এতিয়া অসমৰ ৰাজনৈতিক মানচিত্ৰত এক গুৰুত্বপূৰ্ণ আৰু চাঞ্চল্যকৰ সমষ্টি হিচাপে আত্মপ্ৰকাশ কৰিছে। ২,০৪৪,৪০ গৰাকী ভোটাৰে ভোটদান সাব্যস্ত কৰিবলগীয়া টিহু বিধানসভা সমষ্টিত এইবাৰ ■ ৬ পৃষ্ঠাত

### গণস্তম্ভ নলগা জেং



অ' আপোনালোকহে, মই আকৌ হেৰি অহা বুলি চাউল এবাটিহে লৈ আহিলোঁ...

---

### গণস্তম্ভ বিশেষ ...

## জুবিন গাৰ্গক লৈ ৰাজনীতি নকৰিব

■ প্ৰাণজিৎ মজুমদাৰ

ৰাজ্যত এতিয়া চলি আছে নিৰ্বাচনী বতাহ। এই নিৰ্বাচনী বতাহে পাহৰাই পেলাইছে আমাৰ সকলোৰে মৰমৰ হিয়াৰ আমঠু জুবিন গাৰ্গে এতিয়াও যে ন্যায় ■ ৬ পৃষ্ঠাত

### গণস্তম্ভ চিন্তন -১...

## ভোটাৰ নে ভোক্তা ?

■ ময়ূৰী বৰগোহাঞি

অসমৰ বৰ্তমানৰ নিৰ্বাচনী পৰিমণ্ডলত ৰাজনৈতিক দলসমূহৰ মাজত যি 'প্ৰতিশ্ৰুতিৰ প্ৰতিযোগিতা' বা 'গেৰাণ্টি'ৰ স্ৰোত প্ৰবাহিত হৈছে, সেয়া ■ ৬ পৃষ্ঠাত

### গণস্তম্ভ চিন্তন -২...

## অৰ্থনৈতিক সৰলীকৰণ আৰু নাগৰিক-কেন্দ্ৰিক শাসনৰ আৰম্ভণি

■ কবিতা নাথ

প্ৰতিখন উন্নত ৰাষ্ট্ৰৰ ভেটি নিৰ্মাণত সেই দেশৰ নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণ আৰু স্বচ্ছ প্ৰশাসনৰ এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। ২০৪৭ চনৰ ভিতৰত ■ ৬ পৃষ্ঠাত

### গণস্তম্ভ দৃষ্টিকোণ......

## ভোটাৰৰ দায়িত্ব ভোটদানতে শেষ নেকি ?

■ খগেশ্বৰ দাস

আমি দৰাচলতে ভোটাৰ বুলি ক'লে আমাৰ ভাৰতবৰ্ষত থকা একো একোজন ব্যক্তিৰ ১৮ বছৰৰ পৰা যিকোনো ভাৰতীয় নাগৰিকৰ নিৰ্দিষ্ট বৈধ নাম, ■ ৬ পৃষ্ঠাত

### গণস্তম্ভ প্ৰেক্ষাপট.......

## বিজেপিৰ সুদৃঢ় স্থিতি বনাম বিৰোধীৰ অস্তিত্বৰ সংগ্ৰাম

■ চন্দন কুমাৰ নাথ

অসমৰ ৰাজনৈতিক আকাশত এতিয়া নৰ্বাচনী উখল-মাখল। ২০২৬ চনৰ ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ■ ৬ পৃষ্ঠাত




---

### ৰাজ্যৰ গুৰুত্বপূৰ্ণ সমষ্টি বৰক্ষেত্ৰী বিধানসভা


## প্ৰতিটো ভোটেই মহামূল্যৱান ৰাজনৈতিক দলৰ বাবে

**গণস্তম্ভ সেৱা, বাঁহজানী ঃ** আগন্তুক ৯ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা অসম বিধানসভা নিৰ্বাচন ২০২৬ ৰ দিন ঘোষণা হোৱাৰ লগে লগে প্ৰতিটো সমষ্টিত ৰাজনৈতিক উত্তেজনা চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ■ ৬ পৃষ্ঠাত

### ভৱানীপুৰ সৰভোগ সমষ্টিত নিৰ্বাচনী সভা

## সমান অধিকাৰ, সুযোগ আমাৰ প্ৰতিশ্ৰুতি ঃ ৰনজিৎ দাস

**গণস্তম্ভ, বৰপেটা, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** আজিৰ এই উৎসাহ-উদ্দীপনাই স্পষ্ট কৰি দিছে যে ভৱানীপুৰ সৰভোগ সমষ্টিত পৰিৱৰ্তনৰ বাবে ৰাইজ সজাগ আৰু সাজু- এইদৰে আজি কয় ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ এনডিএ'ৰ বিজেপি প্ৰাৰ্থী ৰনজিৎ কুমাৰ দাসে। ■ ৬ পৃষ্ঠাত



গণস্তম্ভ
An Assamese Weekly News Paper
সত্যৰ অন্বেষণত সত্য পথত
গুৱাহাটী, সাপ্তাহিক, শুকুৰবাৰ, ৩ এপ্ৰিল, ২০২৬

# সাহিত্যিক উৎসাহ-উদ্দীপনাৰ মাজত গুৱাহাটীত উন্মোচন হ'ল 'মৰ্ণিং কফি' সংকলন



**গণস্তম্ভ সেৱা, গুৱাহাটী ঃ** বিশিষ্ট অতিথি আৰু সাহিত্যপ্ৰেমীৰ উপস্থিতিত ২০২৬ চনৰ ২২ মাৰ্চত গুৱাহাটীৰ পঞ্জাবাৰীৰ জুৰিপাৰস্থিত চিচিআৰটি (CCRT) প্ৰেক্ষাগৃহত ইংৰাজী কবিতা আৰু চুটি গল্পৰ বহুপ্ৰতীক্ষিত সংকলন 'মৰ্ণিং কফি' (Morning Koffee) সফলতাৰে উন্মোচন কৰা হয়। উক্ত অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে অতিৰিক্ত সচিব হেমাশ্ৰী হাজৰিকা (এ চি এছ) টি এছ'চিয়েচন অৱ ইণ্ডিয়া (অসম শাখা)ৰ সচিব তথা নৰ্থ ইষ্ট ৰাইটাৰ্ছ ফ'ৰাম শচত্ত্বদ্ৰদ্দ্বণ্ঠগ্নৰ সন্মানীয় সচিব দিপাঞ্জল ডেকা; আৰু চিচিআৰটি-ৰ ক্ষেত্ৰ বিষয়া শশাংক কুমাৰ পাণ্ডে। প্ৰবীণ কবি অনুৰাগ তালুকদাৰৰ সম্পাদনাত প্ৰকাশ পোৱা এই সংকলনখনে উদীয়মান আৰু প্ৰতিষ্ঠিত লেখকসকলক একত্ৰিত কৰিছে। জীৱন, প্ৰেম আৰু মানৱীয় অভিজ্ঞতাৰ বিভিন্ন দিশ এই গ্ৰন্থখনত প্ৰতিফলিত হৈছে। সম্পাদকগৰাকীয়ে কয় যে এই সংকলনৰ মূল লক্ষ্য হৈছে নতুন লেখকসকলক উৎসাহিত কৰা আৰু পঢ়ুৱৈৰ মাজত এক অধ্যয়ন সংস্কৃতি গঢ়ি তোলা। অনুষ্ঠানত ভাষণ প্ৰদান কৰি হেমাশ্ৰী হাজৰিকাই উল্লেখ কৰে যে লেখা-মেলা মানসিক প্ৰশান্তিৰ এক মাধ্যম হোৱাৰ লগতে আত্ম-প্ৰকাশৰ এক শক্তিশালী আহিলা হ'ব পাৰে। আনহাতে, দিপাঞ্জল ডেকাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লেখকসকলৰ সাহিত্যিক কৰ্মৰাজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে বিশ্ব দৰবাৰত প্ৰসাৰিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শশাংক কুমাৰ পাণ্ডেই সংস্কৃতি আৰু সমাজক বুজি উঠাৰ ক্ষেত্ৰত অধ্যয়নৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। উন্মোচনী অনুষ্ঠানটোত লেখক-পঢ়ুৱৈৰ মাজত এক অন্তৰংগ বাৰ্তালাপৰ লগতে কবিসকলৰ দ্বাৰা কবিতা পাঠৰ এক কাৰ্যসূচীও ৰূপায়িত হয়, যাৰ ফলত এক সৃজনীমূলক পৰিৱেশৰ সৃষ্টি হয়। গুৱাহাটীৰ লেখক, পঢ়ুৱৈ আৰু সাহিত্যিক সমাজৰ উৎসাহী অংশগ্ৰহণে অনুষ্ঠানটোক এক স্মৰণীয় সাহিত্যিক উৎসৱলৈ ৰূপান্তৰিত কৰে। 'মৰ্ণিং কফি' হৈছে বুক কালচাৰ (Book Culture) আৰু উইজেনমংক পাব্লিকেশ্যন (Wissenmonk Publication)-ৰ এক যৌথ উদ্যোগ।

## হিমন্ত বিশ্ব শৰ্মা আমাৰ বাবে ভগৱান

# ৰমাকান্ত দেউৰীক ৮০ শতাংশতকৈ অধিক ভোটত জিকাম



**গণস্তম্ভ সেৱা, মৰিগাঁও ঃ** আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি সমগ্ৰ মৰিগাঁও জিলাত ৰাজনৈতিক পৰিবেশ তুঙ্গত উঠিছে। এই পৰিৱেশত এক বিশেষ শব্দ শুনা গৈছে মহিলা ভোটাৰসকলৰ মাজত। বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা নিৰ্বাচনী প্ৰচাৰ সভা আৰু ঘৰেঘৰে সম্পৰ্ক অভিযানত মহিলা ভোটাৰসকলে প্ৰকাশ কৰিছে নিজৰ মনৰ কথা। 'হিমন্ত বিশ্ব শৰ্মা আমাৰ বাবে ভগৱান স্বৰূপ। তেওঁৰ নেতৃত্বত ৰাজ্যখন উন্নয়নৰ নতুন পথত আগবাঢ়িছে। আমি কংগ্ৰেছক কোনোপধ্যে ভোট নিদিওঁ' এইদৰে স্পষ্টভাৱে মত প্ৰকাশ কৰে বহু মহিলা ভোটাৰে। তেওঁলোকে কয় যে বিগত কিছু বছৰত ৰাজ্যত হোৱা পৰিৱৰ্তন, বিশেষকৈ মহিলা সুৰক্ষা, স্বাস্থ্য আৰু আৰ্থিক সহায়ৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপে তেওঁলোকক গভীৰভাৱে প্ৰভাৱিত কৰিছে। মহিলা ভোটাৰসকলৰ মাজত বিশেষকৈ জনপ্ৰিয় হৈ উঠিছে বিভিন্ন কল্যাণমূলক আঁচনি। "অৰুণোদয়", নিজুত মাইনা, লাখপতি বাইদেউ আদি আঁচনিৰ লাভ কৰি বহু মহিলা এতিয়া আত্মনিৰ্ভৰশীল হোৱাৰ পথত আগবাঢ়িছে বুলি তেওঁলোকে উল্লেখ কৰে। এই কাৰণেই তেওঁলোকে পুনৰ বাৰ বিজেপিক সমৰ্থন জনোৱাৰ লগতে ভোট দান কৰিবলৈ সংকল্প গ্ৰহণ কৰিছে। ইয়াৰ লগতে মৰিগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক ৰমাকান্ত দেউৰীৰ প্ৰতিও মহিলা ভোটাৰসকলৰ আস্থা স্পষ্টভাৱে পৰিলক্ষিত হৈছে। তেওঁলোকে কয় যছ "ৰমাকান্ত দেউৰীক এইবাৰ আমি ৮০ শতাংশতকৈ অধিক ভোটত জিকাম। তেওঁ আমাৰ অঞ্চলৰ উন্নয়নৰ বাবে যথেষ্ট কাম কৰিছে। তেওঁলোকে লগতে উল্লেখ কৰে যে পথ-ঘাট, পানী যোগান, শিক্ষা আৰু স্বাস্থ্য খণ্ডত হোৱা উন্নয়নে সাধাৰণ মানুহৰ জীৱনমান উন্নত কৰিছে। ইয়াৰ ফলস্বৰূপে এইবাৰো বিজেপিৰ জয় নিশ্চিত বুলি তেওঁলোকে দাবী কৰে। এই ক্ষেত্ৰত মহিলা ভোটাৰসকলৰ এই ধৰণৰ একত্ৰিত সমৰ্থনে মৰিগাঁও সমষ্টিৰ নিৰ্বাচনী সমীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বিশেষকৈ গ্ৰাম্য অঞ্চলত মহিলা ভোটাৰৰ সক্ৰিয় অংশগ্ৰহণে এইবাৰ নিৰ্বাচনৰ ফলাফলত উল্লেখযোগ্য প্ৰভাৱ পেলাব বুলি অনুমান কৰা হৈছে। সামগ্ৰিকভাৱে, মৰিগাঁও জিলাত দেখা গৈছে যে মহিলা ভোটাৰসকলে এইবাৰো উন্নয়ন আৰু গতিশীলতা পক্ষত ভোট দান কৰিবলৈ দৃঢ় সংকল্পবদ্ধ। তেওঁলোকৰ এই স্পষ্ট মতামতে আগন্তুক নিৰ্বাচনত যে মৰিগাঁৱত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক ৰামা কান্ত ডেউৰী যে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিব সেইটো স্পষ্ট হৈ উঠিছে।

## ২১ মাৰ্চত পছৰীয়াৰ ৰামসৰস্বতী প্ৰেক্ষাগৃহত অনুষ্ঠিত বিশ্ব পুতলা নাচ দিৱস উদ্‌যাপন

# পুতলা নাচ মানুহৰ জীৱন-জিজ্ঞাসা প্ৰতিফলনৰ শক্তিশালী মাধ্যম ঃ পৰেশ বৈশ্য



**গণস্তম্ভ, বংশৰ বিশেষ, ৰমেন ভৰালী ঃ** কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত যন্ত্ৰক মানৱ সৃষ্ট পুতলা নাচৰগৰাকী হ'বলৈ দিয়াটো উচিত নহয়। কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে অভিনৱ পুতলাৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ব পাৰিব যদিও তেনে পুতলাত নাথাকিব মানুহৰ হৃদয়ৰ সংবাদ। মানৱ সৃষ্ট পুতলা নাচ হ'ল মানুহৰ জীৱন-জিজ্ঞাসাক প্ৰতিফলনৰ শক্তিশালী মাধ্যম। যোৱা চৰ মাৰ্চত সাংস্কৃতিক অনুষ্ঠান' আত্মভ অসম' আৰু 'বৃহত্তৰ পছৰীয়া হিতসাধিনী সভা'ৰ উদ্যোগত পছৰীয়াৰ ৰামসৰস্বতী প্ৰেক্ষাগৃহত অনুষ্ঠিত বিশ্ব পুতলা নাচ দিৱস উদযাপন অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ, লেখক-সাংবাদিক পৰেশ বৈশ্যই এইদৰে কয়। বিশিষ্ট পুতলা নাচ বিশেষজ্ঞা গীতিমা দাস আৰু তেওঁৰ সংগী বৃন্দৰ যাদুকৰী হাতৰ সঞ্চালনত প্ৰাণ পাই উঠা পুতলা নাচে উপস্থিত দৰ্শকক আপ্লুত কৰে। তৰালী কলিতাই আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সমাজসেৱক তথা পুতলা নাচৰ বিশিষ্ট শিল্পী ছবিন ৰাজখুৱাই। বিশিষ্ট অতিথি হিচাপে ভাষণত তেখেতে কয় যে পুতলা নাচৰ ইতিহাস বিস্তৃতভাৱে আলোচনা কৰে। শংকৰদেৱে পুতলা নাচক কিদৰে অসমীয়া সমাজত জনপ্ৰিয় কৰিলে সেই বিষয়েও কয়। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ এক মাধ্যম হিচাপে শংকৰদেৱে পুতলা নাচক ব্যৱহাৰ কৰা বুলিও তেখেতে মন্তব্য কৰে। আৰম্ভণিতে 'ঈশ্বৰ পুত্ৰ জুবিন' নামৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত পুতলা নাচৰ জৰিয়তে 'স্বচ্ছ ভাৰত আমাৰ ভাৰত' শীৰ্ষক এটি বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানত লক্ষ্মীনাথ বেজবৰুৱা' চিলনীৰ জীয়েকৰ সাধুটো পুতলাৰ জৰিয়তে নাট্যৰূপত দিয়া হয়।

## বিশ্বনাথত উপস্থিত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিং

# জয় ভাৰত পাৰ্টি ভাৰতীয় জনতা পাৰ্টিৰ লগত জতমৰিত বুলি মহাবিস্ফোৰণ

**গণস্তম্ভ, বিশ্বনাথ চাৰিআলি, বেদদীপ উপাধ্যায় ঃ** নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে সিমানেই ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পাইছে। বিশ্বনাথ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ বিশ্বনাথত উপস্থিত হৈছে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিং। আজি সাংবাদিকৰ লগত হোৱা সাক্ষাৎকাৰত ৰাষ্ট্ৰীয় নেতাগৰাকীয়ে কয় যে 'অহা ৯ তাৰিখৰ বাবে ৰাইজ অপেক্ষা কৰি আছে। কেতিয়া ৯ তাৰিখ আহিব আৰু কেনেকৈ এই ভ্ৰষ্টাচাৰী চৰকাৰ, মাফিয়াগিৰী চৰকাৰ, ছিণ্ডিকেট চলাই থকা চৰকাৰ, অসমক লুটি থকা চৰকাৰ আৰু অসমক বিভাজন কৰা চৰকাৰক বিদায় দিব, শদিয়াৰ পৰা ধুবুৰি লৈকে এনে একে পৰিবেশে মই প্ৰত্যক্ষ কৰি আছোঁ। প্ৰতি পাঁচ বছৰৰ মূৰত কংগ্ৰেছেই হওক, বিজেপিয়ে হওক বা যিকোনো ৰাজনৈতিক দলে হওক জনসাধাৰণক হিচাপ দিব লাগে। জনসাধাৰণৰ বাবে বিগত পাঁচ বছৰত কি কাম কৰিলে। কিন্তু বৰ্তমানৰ চৰকাৰে প্ৰতিশ্ৰুতি প্ৰদান কৰা একো কামে নকৰিলে। একেদৰে বিশ্বনাথৰো যিগৰাকী কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰা, তেওঁক জনসাধাৰণে চিনি পাই আৰু যথেষ্ট ভাল পাই। কিন্তু জয়ন্ত বৰাৰ বিপৰীতে থকা প্ৰাৰ্থীগৰাকীৰ বিষয়েও সকলো জনসাধাৰণে জানে। কি দৰে তেওঁ কাম কৰে, কি দৰে জনসাধাৰণক ব্যৱহাৰ কৰে আৰু কিদৰে সাধাৰণ ৰাইজক হাৰাশাস্তি কৰে'। এই সকলোখিনি কথাই প্ৰত্যক্ষ কৰা বুলি উল্লেখ কৰি কয় যে অহা ৯ তাৰিখে ৰাইজে কংগ্ৰেছৰ সাপেক্ষে ভোটদান সাব্যস্ত কৰি এখন নতুন অসমৰ নিৰ্মাণ কৰাৰ বাট ৰাইজে মুকলি কৰিব। ৰাজ্যত নতুনকৈ জন্ম লাভ কৰা জয় ভাৰত পাৰ্টিয়ে বিশ্বনাথ সমষ্টিৰ পৰা প্ৰাৰ্থী নিক্ষেপ কৰাক লৈ ৰাষ্ট্ৰীয় নেতাগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে জয় ভাৰত পাৰ্টীৰ কোনো অস্তিত্ব নাই, ৰেজিষ্টাৰ নাই আৰু কোনো চিহ্ন নাই। জয় ভাৰত পাৰ্টীৰ আৰ্থিক ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টী জড়িত হৈ আছে বুলি বিস্ফোৰণ মন্তব্য কৰে ৰাষ্ট্ৰীয় নেতাগৰাকীয়ে। আনহাতে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মলিকাৰ্জুন খাৰ্গে নাওবৈচাৰ এক বিশাল সভাত উপস্থিত হ'ব আৰু কংগ্ৰেছ দলৰ পাঁচটা গেৰাণ্টিৰ কথা আনুষ্ঠানিক ভাবে মুকলি কৰিব বুলি ৰাষ্ট্ৰীয় নেতা গৰাকীয়ে জানিবলৈ দিয়ে।

# কাৰ্বি আংলঙত নিৰ্বাচন সূচাৰুৰূপে সম্পন্ন কৰিবলৈ প্ৰযুক্তিগত প্ৰস্তুতিত গুৰুত্ব আৰোপ



**গণস্তম্ভ, হাওৰাঘাট, গৌতম চন্দ ঃ** কাৰ্বি আংলং নিৰ্বাচনী জিলাৰ সাধাৰণ পৰ্যবেক্ষক এছ শিৰাৰাসু আৰু জিলা নিৰ্বাচনী বিষয়া আৰণ্যক শইকীয়াই আগন্তুক অসম বিধানসভা নিৰ্বাচন, ২০২৬ সুচাৰুৰূপে, স্বচ্ছ আৰু বিঘ্নমুক্তভাৱে সম্পন্ন কৰাৰ বাবে প্ৰযুক্তিগত প্ৰস্তুতিৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। ডিফুৰ ৰেংবংহম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত 'প্ৰিজাইডিং অফিচাৰ এপ' সন্দৰ্ভত আয়োজন কৰা কাৰ্যসূচীত জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিৰ ছেক্টৰ বিষয়া, প্ৰিজাইডিং বিষয়া আৰু প্ৰথম প'লিং বিষয়াসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকে সকলো ভোটকৰ্মীক নিজৰ দায়িত্ব সততা, নিৰপেক্ষতা আৰু দৃঢ় দায়িত্ববোধেৰে পালন কৰিবলৈ আহ্বান জনায়। তেওঁলোকে নিৰ্বাচনী নীতি-নৈতিকতা সম্পূৰ্ণৰূপে মানি চলি নিৰ্বাচন আয়োগৰ নিৰ্দেশাৱলী কঠোৰভাৱে অনুসৰণ কৰাৰ লগতে মুক্ত, নিৰপেক্ষ আৰু স্বচ্ছ নিৰ্বাচন নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। লগতে, সুস্থ আৰু সৰ্বজনীন নিৰ্বাচনী পৰিৱেশ নিশ্চিত কৰি গণতান্ত্ৰিক মূল্যবোধ শক্তিশালী কৰাত ভোটকৰ্মীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰে।

# ৰাজ্য বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০২৬ উপলক্ষে ভোটাৰ সজাগতা অভিযান অব্যাহত

**গণস্তম্ভ, গুৱাহাটী, পিএন চি ঃ** ৰাজ্য বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০২৬ উপলক্ষে ভোটাৰসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ৰাজ্যজুৰি প্ৰণালীবদ্ধ শিক্ষা আৰু নিৰ্বাচকৰ অংশগ্ৰহণ (SVEEP)ৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ, গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। সাধাৰণ ভোটাৰৰ লগতে নৱপ্ৰজন্মৰ ভোটাৰসকলক ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ দিশত জিলা প্ৰশাসনে এই সজাগতা অভিযান জনমুখী কৰাৰ বাবে লোৱা পদক্ষেপসমূহে জনসাধাৰণক আকৰ্ষিত কৰিছে। তিনিচুকীয়া জিলা প্ৰশাসনে মাৰ্ঘেৰিটা সমষ্টিৰ দিহিং চাহ বাগিচাত আয়োজন কৰা সভাত ভোটাৰ তথ্য পত্ৰ বিতৰণ কৰাৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰ, ক্ৰমিক নম্বৰ, ভোটদানৰ তাৰিখ আৰু সময় আদি সম্পৰ্কত জনসাধাৰণক সজাগ কৰে। ইয়ে চাহ বাগিচাৰ ভোটাৰক অনুপ্ৰাণিত কৰিছে। চিৰাং জিলা প্ৰশাসনে কলেজীয়া নতুন ভোটাৰৰ সৈতে মত-বিনিময় আৰু ভোটাৰ সাক্ষৰতা অভিযান চলায়। নতুন ভোটাৰক ভৱিষ্যতৰ প্ৰতি বহনক্ষম দায়বদ্ধতাৰ প্ৰতীক হিচাপে গছপুলি ৰোপণৰ লেখীয়াও কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা প্ৰশাসনে বিদ্যালয় পৰিদৰ্শক কাৰ্যালয়ৰ সৌজন্যত 'আপোনাৰ ভোট, আপোনাৰ অধিকাৰ, ইয়াৰ অপচয় নকৰিব' শীৰ্ষক জনসচেতনতাৰ কাৰ্যসূচী লৈছে। আনহাতে, ভোটাৰৰ সজাগতা বৃদ্ধিৰ বাবে বেনাৰ, পোষ্টাৰ আৰু শ্ল'গান ব্যৱহাৰ কৰা হয়। মৰিগাঁও জিলা প্ৰশাসনেও এই ক্ষেত্ৰত লোৱা ভিন্নমুখী কাৰ্যসূচীসমূহেও জনসাধাৰণক আকৰ্ষিত কৰিছে। লব্ধ প্ৰতিষ্ঠিত অভিনেতাৰে নাট পৰিৱেশন, বলীউডৰ জনপ্ৰিয় ছবিৰ সংলাপৰ ব্যৱহাৰ, 'গণতন্ত্ৰৰ বজাৰ' শীৰ্ষক কাৰ্যসূচীৰ লগতে বাতৰি পৰিৱেশনৰ লেখীয়া কাৰ্যসূচীসমূহে যুৱ ভোটাৰক আকৰ্ষিত কৰিছে। আনহাতে, জিলা প্ৰশাসনসমূহে পানী যোগান প্ৰকল্পসমূহত স্থানীয় জনসাধাৰণক ভোটদানৰ বাবে সংকল্প পাঠ কৰোৱাটো এই অভিযানৰ অন্যতম লক্ষণীয় দিশ। শোণিতপুৰ জিলা প্ৰশাসনে দেৱাল অংকন প্ৰতিযোগিতাৰ লগতে বাটৰ নাট পৰিৱেশন কৰি সকলো শ্ৰেণীৰ ভোটাৰক আকৰ্ষিত কৰিবলৈ প্ৰয়াস অব্যাহত ৰাখিছে। ভোটাৰৰ মাজত সজাগতা সৃষ্টিৰ বাবে জিলা প্ৰশাসনে বিভিন্ন নামেৰে ইতিমধ্যে শুভংকৰ মুকলি কৰিছে। স্থানীয় পটভূমি, প্ৰকৃতি, লোক সংস্কৃতি, অৰ্থনীতি আদি ভিন্নমুখী দিশ অৱলোকনেৰে মুকলি কৰা শুভংকৰসমূহে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ধুবুৰী জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰত পোৱা নদী ডলফিনৰ প্ৰেৰণাৰে 'শিহুৱীয়া', শীতৰ পৰিভ্ৰমী চৰাইক লৈ বিশেষকৈ দেওৱাজ হাঁহক বিষয়বস্তুৰে মাজুলী জিলাত 'দেওৰাজ', দুগ্ধশিল্পই বজালী জিলাৰ অৰ্থনীতিত যোগোৱা বৰঙনিৰে বজালী জিলা প্ৰশাসনৰ 'কামধেনু', মানস অভয়াৰণ্যত বিলুপ্তপ্ৰায় নলগাহৰিৰ আধাৰত বাস্কা জিলাত 'পিগমী'ৰ লেখীয়া প্ৰতিটো জিলা প্ৰশাসনে শুভংকৰৰ মাধ্যমেৰে লোৱা সজাগতামূলক কাৰ্যসূচীসমূহে ভোটাৰ ৰাইজক ভোটদানৰ বাবে অনুপ্ৰাণিত কৰা পৰিলক্ষিত হৈছে।

# ডিব্ৰুগড়ত পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নামেৰে উৰণীয়া সেতু-বিমানবন্দৰৰ নামকৰণৰ দাবী ডিব্ৰুগড় লেখিকা সমাৰোহ সমিতিৰ



**গণস্তম্ভ, ডিব্ৰুগড়, ৰশ্মিৰেখা সাউদ কলিতা ঃ** ডিব্ৰুগড়ত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ডিব্ৰুগড় শাখাই চৌকিডিঙীস্থ নিজৰ কাৰ্যালয়ত অগ্নিকন্যা পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ১২৫ সংখ্যক জন্মজয়ন্তী দিৱসত বক্তৃতা আৰু সম্বৰ্ধনানুষ্ঠানেৰে উদ্‌যাপন কৰা হয়। সভাৰ আৰম্ভণিতে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় আৰু শাখাৰ উপদেষ্টা ড° ভাৰতী দত্তই। দীপমন্ত্ৰ ধ্বনিত কৰে বিজয়লকক্ষ্মী শৰ্মা গোস্বামীয়ে। সুদক্ষিণা দাসৰ উদ্যোগত অনুষ্ঠিত সভাত বিশিষ্ট ব্যক্তিসকল মঞ্চত আসন গ্ৰহণ আৰু আদৰণিৰ পাছত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা মানসী বৰুৱাই। মহাপুৰুষীয়া ঘোষা এফাঁকি পৰিৱেশন কৰে দিপ্তী বৰঠাকুৰে। চমু আদৰণি ভাষণত সভানেত্ৰীয়ে এই দিৱস উদ্‌যাপনৰ প্ৰাসংগিকতা আৰু তাৎপৰ্যৰ কথা উল্লেখ কৰে। বক্তৃতানুষ্ঠানত নিৰুদ্দিষ্ট বক্তা বিশিষ্ট সমাজসেৱী, অধ্যাপিকা আল্পনা গগৈ ভূঞাৰ চমু পৰিচয় দাঙি ধৰে মীনা বৰুৱাই। নিৰুদ্দিষ্ট বক্তাগৰাকীয়ে পদ্মশ্ৰী অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানীক অনন্যা নাৰী আখ্যা দি তেখেতৰ সংগ্ৰামমুখৰ জীৱনৰ কীৰ্তি বৰ্ণনা কৰাৰ লগতে ঋগবেদীয় যুগৰ পৰা মধ্যযুগ আৰু আধুনিক যুগৰ নাৰী মনীষীসকলৰ অৱদানৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। বক্তাগৰাকীয়ে ভাৰতৰ অন্যান্য মহিলা নেত্ৰীৰ সৈতে তুলনামূলক আলোচনা আগবঢ়াই আক্ষেপ কৰে যে অসমৰ অগ্নিকন্যা পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে পাবলগীয়া মৰ্যাদা আজিও পোৱা নাই আৰু সেইবাবেই তেখেতে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নামেৰে উৰণীয়া সেতু, বিমানবন্দৰ, বিশ্ববিদ্যালয়ৰ নামকৰণ, চলচ্চিত্ৰ নিৰ্মাণ, পাঠ্যপুথিত অগ্নিকন্যা শইকীয়ানীৰ বিষয়ে অধ্যায় সন্নিবিষ্ট কৰাৰ দাবী উত্থাপন কৰি ডিব্ৰুগড় শাখাৰ পৰাই প্ৰস্তাৱ প্ৰেৰণৰ উপদেশ দিয়াত সকলোৱে সমৰ্থন কৰে। উপস্থিত সমজুৱাৰ পৰা মীনাক্ষী শৰ্মা, গীতাশ্ৰী বুজৰবৰুৱা, সান্ত্বনা বৰুৱা জোনালী খাউণ্ড, বিজয়লক্ষ্মী শৰ্মা গোস্বামীয়ে উক্ত বিষয়ত লেখিকাসকলৰ দায়িত্ব, অগ্নিকন্যাগৰাকীৰ সৰ্বভাৰতীয় পটভূমিত প্ৰতিষ্ঠা, ডিব্ৰুগড়ত পূৰ্বতে অনুষ্ঠিত স্মৃতিসভা ইত্যাদি বিভিন্ন মতবিনিময় কৰি আলোচনা মনোগ্ৰাহী কৰি তোলে। ড° ভাৰতী দত্তই সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নামত বঁটা প্ৰদান, গ্ৰন্থ প্ৰকাশ তথা অসমৰ প্ৰতি শাখাই এই দিৱস পালনৰ দিহাৰে অগ্নিকন্যাগৰাকীৰ প্ৰতি সন্মান যঁচাৰ ধনাত্মক ব্যৱস্থাসমূহৰ বৰ্ণনা কৰে। তেওঁ সমিতিৰ প্ৰকাশিত 'যুগজয়ী চন্দ্ৰপ্ৰভা' গ্ৰন্থখনি ইংৰাজীলৈ অনুবাদৰ পোষকতা কৰে। সভাত তিনি দশকৰো অধিক কাল নীৰৱচ্ছিন্নভাৱে বহু অনুষ্ঠানযোগে মহিলাৰ উন্নয়নৰ হকে কাম কৰি সমাজ জীৱনক সমৃদ্ধ কৰা আৰু মহিলাৰ প্ৰতিভা বিকাশৰ একাধিক মঞ্চ প্ৰতিষ্ঠা কৰা, বিশিষ্ট সমাজসেৱী ভাৰতীয় শিশু কল্যাণ পৰিষদৰ আৰু ডিব্ৰুগড় মহিলা সাহিত্য কাননৰ সভানেত্ৰী কুমকুম দত্ত, বিশিষ্ট সাহিত্যিক শিক্ষাবিদ সখীয়া মহিলা মঞ্চৰ প্ৰতিষ্ঠাপক সম্পাদিকা তথা ডিব্ৰুগঞ্জ মহিলা সাহিত্য কাননৰ সম্পাদিকা অৱসৰী উপাধ্যক্ষা আৰাধনা দত্তক পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ আদৰ্শৰ জ্যোতিবাহিকা ৰূপে সম্বৰ্ধনা জনায়। নাৰী দিৱসৰ সৈতে সংগতি ৰাখি শাখাৰ উপদেষ্টা, সাহিত্যিক পেঞ্চনাৰ জ্যোতি বৰগোহাঁইয়ে এটি স্বৰচিত কবিতা পাঠ কৰে। সমবেত সংগীত পৰিৱেশন কৰে মৌচুমী বৰ্মন, ইৰাণী বৰপূজাৰী, বিজয়লক্ষ্মী শৰ্মা গোস্বামী, মীনাক্ষী শৰ্মা, স্মৃতি শৰ্মা, স্বৰ্ণালীম শইকীয়া, কানন বৰুৱা আৰু দিপ্তী বৰঠাকুৰে। উপদেষ্টা ৰেণু ফুকনৰ শুভাশীষসহ ড° প্ৰাতসলতা বুঢ়াগোহাঁই, ডংশেৱালি বৰবৰা, আৰতি বৰা, ড° ফৰিদা আহমেদ, অৰুণিমা তালুকদাৰ, তুলসী দত্ত, মঞ্জু আগমাচাৰ্যৰ সহযোগিতাৰ লগতে উল্লেখযোগ্য সহায় আগবঢ়ায় ড° দিপাঞ্জনা দত্ত দাসে আৰু আপ্যায়ন সহযোগী সান্ত্বনা বৰুৱাই। ইৰাণী বৰপূজাৰীয়ে শলাগৰ শৰাই আগবঢ়ায়।

# শোণিতপুৰত পোষ্টেল বেলটৰ জৰিয়তে ভোটদানৰ সুবিধা আনুষ্ঠানিকভাৱে আৰম্ভ



**গণস্তম্ভ সেৱা, ৰঙাপৰা ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ অংশ হিচাপে শোণিতপুৰ জিলাত আজি পোষ্টেল বেলটৰ জৰিয়তে ভোটদানৰ সুবিধা আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই উপলক্ষে আজিৰ সুবিধা প্ৰদান কাৰ্যসূচী শোণিতপুৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰথম মহলাৰ বাকিজাই শাখাত অনুষ্ঠিত হয়, য'ত যোগ্য ভোটাৰসকলে শৃংখলাবদ্ধ আৰু সু-ব্যৱস্থাপিত পৰিৱেশত পোষ্টেল বেলটৰ জৰিয়তে ভোটদান কৰে। এই কাৰ্যসূচীৰ আৰম্ভণি কৰি জিলা নিৰ্বাচনী বিষয়া আনন্দ কুমাৰ দাসে স্থানীয় সাংবাদিক হিমাংশু শইকীয়াক প্ৰথমখন পোষ্টেল বেলট পেপাৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে, যাৰ ফলত তেওঁ জিলাখনত এই সুবিধাৰ জৰিয়তে ভোটদান কৰা প্ৰথমজন ভোটাৰ হিচাপে পৰিগণিত হয়। এই অনুষ্ঠানত ৰঙাপৰা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং অফিচাৰ তথা পোষ্টেল বেলট পেপাৰ চেলৰ ইন-চাৰ্জ সাংস্কৃতি সোমানীয়ে জিলা নিৰ্বাচনী বিষয়া গৰাকীৰ সৈতে উপস্থিত থাকে। ইয়াৰ পিছত আন কেইবাগৰাকী সাংবাদিক আৰু আন আন সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলেও আজি এই সুবিধা লাভ কৰে। পোষ্টেল বেলট ব্যৱস্থা মূলতঃ অনুপস্থিত ভোটাৰসকলৰ বাবে প্ৰৱৰ্তন কৰা হৈছে, যিসকলে ভোটগ্ৰহণৰ দিনটোত ভোটদান কৰিব নোৱাৰিব পাৰে। নিৰ্বাচনী অত্যাৱশ্যকীয় সেৱাত নিয়োজিত কৰ্মচাৰী, ভোটগ্ৰহণকাৰী বিষয়া, আৰক্ষী বাহিনীৰ জোৱান আৰু অন্যান্য যোগ্য শ্ৰেণীৰ ভোটাৰ সকলে এই সুবিধা গ্ৰহণ কৰিব পাৰিব। ইয়াৰ উপৰিও, ৮৫ বছৰ বা তাতকৈ অধিক বয়সৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ব্যক্তি শচত্নভ্ৰড্ডব্দগ্ন শ্ৰেণীৰ অনুপস্থিত ভোটাৰৰ বাবে ৰ এপ্ৰিলৰ পৰা নিৰ্দিষ্ট ভোটগ্ৰহণকাৰী দলৰ জৰিয়তে তেওঁলোকৰ বাসগৃহত ঘৰতে ভোটদানৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব, যাৰ জৰিয়তে নিৰ্বাচনী প্ৰক্ৰিয়াত সৰ্বাংগীণ অংশগ্ৰহণ নিশ্চিত কৰা হৈছে। জিলাখনৰ নিৰ্দিষ্ট স্থান আৰু তাৰিখ অনুসৰি পোষ্টেল বেলট 'ড্ৰপ বক্স' সুবিধা কেন্দ্ৰ স্থাপন কৰা হৈছে, যাতে ভোটদান প্ৰক্ৰিয়া অধিক সুচল, সুগম আৰু স্বচ্ছ হয়। এই পদক্ষেপে প্ৰতিজন যোগ্য ভোটাৰে নিজৰ ভোটাধিকাৰ যাতে সাব্যস্ত কৰিব পাৰে, ইয়াক নিশ্চিত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ অঙ্গীকাৰ প্ৰতিফলিত কৰে। এই প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সময়ত জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকি সকলো নিৰ্ধাৰিত নিৰ্দেশনা অনুসৰণ নিশ্চিত কৰিবলৈ ব্যৱস্থাসমূহ পৰ্যবেক্ষণ কৰে। জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে পোষ্টেল বেলট শ্ৰেণীৰ অন্তৰ্গত সকলো যোগ্য ভোটাৰক নিৰ্ধাৰিত তাৰিখৰ ভিতৰত এই সুবিধা গ্ৰহণ কৰি গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## ভোটকেন্দ্ৰৰ সা-সুবিধা নিশ্চিত কৰাত বিদ্যালয়প্ৰধানৰ লগত আয়ুক্তৰে সভা

# ভোটগ্ৰহণ কেন্দ্ৰ থকা বিদ্যালয়সমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ নিৰ্দেশ



**গণস্তম্ভ, লাহৰীঘাট/মৰিগাঁও ঃ** বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত মৰিগাঁও নিৰ্বাচন জিলাতো জিলা নিৰ্বাচন শাখাই প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আজি মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ভোটগ্ৰহণ কেন্দ্ৰসমূহত ন্যূনতম সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে ভোটগ্ৰহণ কেন্দ্ৰ থকা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ লগত এখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। সভাত ভাষণ প্ৰসংগত জিলা আয়ুক্তগৰাকীয়ে কয় যে নিৰ্বাচনী প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত বিদ্যালয় প্ৰধানসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ শিক্ষকসকলক শিক্ষানুষ্ঠানৰ চৌহদ আৰু সন্মুখভাগ পৰিষ্কাৰ কৰি ৰখাৰ সু-ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ বিদ্যালয়সমূহ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত সহায় হোৱাকৈ বিদ্যালয়ৰ নিকটৱৰ্তী আত্মসহায়ক গোটসমূহৰ লগ হৈ স্বচ্ছতা অভিযান চলাবলৈ পৰামৰ্শ আগবঢ়ায়। ভোটগ্ৰহণৰ বাবে যোৱা বিষয়াসকলক বিদ্যালয়ত ন্যূনতম সা-সুবিধাসমূহ প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ দুজনকৈ বিদ্যালয় পৰিচালনা সমিতিৰ ব্যক্তিক দায়িত্ব অৰ্পন কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। বিদ্যালয়ৰ অনাময় ব্যৱস্থাসমূহ ত্ৰুটিহীন কৰিবলৈ তেওঁ প্ৰধান শিক্ষকসকলক নিৰ্দেশ দিয়ে। লগতে ভোটকেন্দ্ৰৰ আশে-পাশে থকা যিকোনো অসামাজিক উপাদানসমূহৰ বিষয়ে আগতীয়াকৈ জিলা প্ৰশাসনক অৱগত কৰাবলৈও তেওঁ আহ্বান জনায়। তেওঁ বিদ্যালয় প্ৰধানসকলক নতুন শিক্ষাবৰ্ষৰ প্ৰথম দিনটোৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি সুনিশ্চিত কৰা আৰু চৰকাৰী বিদ্যালয়ত নামভৰ্তিৰ হাৰ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈ, মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়া, মায়ং ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈ, বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক সমৰ বৰুৱা আৰু মৰিগাঁও জিলাৰ চাৰিওটা শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াসকল উপস্থিত আছিল। উল্লেখ্য যে মৰিগাঁও জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হ'ল ৯৬৮ টা। ইয়াৰে ৫২ নং জাগীৰোড (অঃ জাঃ) সমষ্টিত ৩৩৫ টা, ৫৩ নং লাহৰিঘাট সমষ্টিত ৩৫৫টা আৰু ৫৪ নং মৰিগাঁও সমষ্টিত ২৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

## ছিপাঝাৰৰ কংগ্ৰেছ প্ৰাৰ্থী বিনন্দ কুমাৰ শইকীয়াৰ প্ৰচাৰত বাধা

# ছিপাঝাৰত নিৰ্বাচনকেন্দ্ৰীক হিংসা

**গণস্তম্ভ, দুনী, ধ্ৰুৱজ্যোতি শৰ্মা ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ছিপাঝাৰত শাসক বিৰোধীৰ মাজত নিৰ্বাচনী প্ৰচাৰৰ ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। সমষ্টিটোৰ চাৰিগৰাকী প্ৰাৰ্থীৰ সমৰ্থক সকলৰ মাজত বিশেষ তৎপৰতা দেখা গৈছে। বিশেষ কৈ বিজেপি আৰু কংগ্ৰেছৰ প্ৰাৰ্থী দুগৰাকীযে ভোটাৰক আকৰ্ষণৰ চেষ্টা অব্যাহত ৰাখিছে। দিন ৰাত একাকাৰ কৰি প্ৰতিকুল বতৰকো নেওছি প্ৰচাৰ কাৰ্য্য চলাই গৈছে। নিৰ্বাচনী প্ৰচাৰৰ ব্যপক তৎপৰতাৰ মাজতে ৰবিবাৰে নিশা প্ৰচাৰৰ বাবে যোৱা কংগ্ৰেছ প্ৰাৰ্থী বিনন্দ কুমাৰ শইকীয়াক বানেইকুছিত একাংক লোকে গাঁওখনত প্ৰৱেশত বাধা প্ৰদান কৰে। উল্লখ্য যে ৰবিবাৰে কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে নিজৰ সমৰ্থকৰ সৈতে প্ৰচাৰ চলাই গৈ বানেইকুছিৰ চেংমাৰীত উপস্থিত হয়। সেই সময়তে একাংশ বিজেপি সমৰ্থকে বাট আগছি ধৰি নিজৰ প্ৰচাৰৰ বাবে যোৱা কংগ্ৰেছ প্ৰাৰ্থী গৰাকীক গাঁওখনত প্ৰৱেশত বাধা প্ৰদান কৰে। ইয়াৰ পাছতে দুয়ো পক্ষৰ মাজত বাক-বিতণ্ডাৰ সূত্ৰ পাত হয়। অৱশ্যে বাক-বিতণ্ডাৰ অন্তত বিজেপিৰ সমৰ্থক সকলে বাট এৰি দিবলৈ বাধ্য হয়। এই লৈ বৰ্তমানেও অঞ্চলটোত প্ৰতিক্ৰিয়া অব্যাহত আছে।

# আন্তঃজিলা বক্সিং প্ৰতিযোগিতাত ওৰাঙৰ নেহা পৌড়েলৰ সোণৰ পদক



**গণস্তম্ভ সেৱা, ওদালগুৰি ঃ** আমাতুৰ বক্সিং এচচিয়েচনৰ নগাওঁ জিলা সমিতিৰ উদ্যোগত ২৩-২৭ মাৰ্চলৈ অনুষ্ঠিত ৪৬ সংখ্যক আন্ত জিলা লৰা ছোৱালীৰ বক্সিং প্ৰতিযোগিতাত ওৰাঙৰ নেহা পৌড়েলে ৬৩-৬৬ কিলোগ্ৰাম ছোৱালীৰ জুনিয়ৰ শাখাত সোণৰ পদক লাভ কৰি ওদালগুৰি জিলাৰ লগতে ওদালগুৰি জিলাৰ ৪৭ নং মাজবাট বিধান সভা সমষ্টিৰ ওৰাঙলৈ গৌৰৱ কঢ়িয়াই আনে। প্ৰতিযোগিতাত পদক বিজয়ৰ লগে লগে নেহাই এপ্ৰিল মাহত অনুষ্ঠিত হবলগীয়া ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নচিপৰ বাবে নিৰ্বাচিত হয়। ওৰাঙৰ ইউৰেকা ইংলিছ স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰী নেহা ওৰাঙৰ হোটেল ব্যৱসায় তথা হাবিগাঁৱৰ গোবিন্দ পৌড়েলে আৰু শান্তি দেৱীৰ সুযোগ্য কন্যা।

# চতুৰ্থ স্তম্ভৰ ওপৰত চলোৱা আক্ৰমণৰ বিৰুদ্ধে নিন্দা

**গণস্তম্ভ, শিলচৰ, পিএনচি ঃ** যোৱা বুধবাৰে শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ মাটিয়াৰ ওচৰত দৈনিক প্ৰতিদিন কাকত জ্বলাই দিয়াৰ ঘটনাৰ তীব্ৰ নিন্দা জনাইছে বৰাক উপত্যকা সাংবাদিক সন্থাই। জুৱাৰ এফিলেটেড বডি বৰাক উপত্যকা সাংবাদিক সন্থাৰ সভাপতি আৰু এডিটৰছ গিল্ড অফ ইণ্ডিয়াৰ সদস্য ডঃ হাৰাণ দেই এই ঘটনাৰ তীব্ৰ নিন্দা জনায়। ডঃ দে য়ে এই ঘটনা সন্দৰ্ভত প্ৰেছ কাউন্সিল অফ ইণ্ডিয়া আৰু ভাৰতৰ নিৰ্বাচন আয়োগলৈ ইমেইল প্ৰেৰণ কৰি চতুৰ্থ স্তমভৰ প্ৰতি কৰা আক্ৰমণৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছে।

গণস্তম্ভ
An Assamese Weekly News Paper
সত্যৰ অন্বেষণত সত্য পথত



## অসমত ৪টা সহায়ক ভোটকেন্দ্ৰ স্থাপনৰ অনুমোদন নিৰ্বাচন আয়োগৰ

**গণস্তম্ভ, গুৱাহাটি, পিএন চি ঃ** নিৰ্বাচন আয়োগে অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০২৬ৰ বাবে ৪টা সহায়ক ভোটগ্ৰহণ এই জিলাকেইখনৰ একোটাকৈ ভোটকেন্দ্ৰত নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰি দিয়া ভোটাৰৰ সংখ্যাতকৈ অধিক ভোটাৰ থকাৰ ফলত সহায়ক ভোটকেন্দ্ৰ স্থাপনৰ অনুমোদন বিচাৰি নিৰ্বাচন আয়োগৰ ওচৰত আৱেদন জনোৱা হৈছিল। আয়োগে এই ক্ষেত্ৰত অনুমোদন জনায়। তদুপৰি প্ৰাকৃতিক কাৰণত ভোটাৰসকলৰ সহায়ক হোৱাকৈ জোনাই সমষ্টিৰ ৪নং কবু শিৰগুৰি নিম্ন প্ৰাথমিক বিদ্যালয় ভোটকেন্দ্ৰটি ৪ নং চিলে মধ্য ইংৰাজী বিদ্যালয়লৈ স্থানান্তৰিত কৰাত আয়োগে অনুমোদন জনাইছে।

## টংলা বিধান সভা সমষ্টিত বিজেপি, অগপ আৰু বি পি এফৰ তীব্ৰ নিৰ্বাচনী প্ৰচাৰ সভা

# বিৰোধীৰ দৰে এনডিএ বোকা ছটিওৱা ৰাজনীতি নকৰে, আমি উন্নয়নৰ ৰাজনীতি কৰোঁ ঃ সুজিত



**গণস্তম্ভ সেৱা, ওদালগুৰি ঃ** বিৰোধীৰ দৰে এন ডি এ বোকা ছটিওৱা ৰাজনীতি নকৰে, আমি উন্নয়নৰ ৰাজনীতি কৰোঁ। টংলা সমষ্টিৰ বিভিন্ন সমস্যা সমাধানৰ উদ্দেশ্যে আৰু উন্নয়নৰ পৰিকল্পনাৰে নিৰ্বাচনত বিজেপি, অগপ আৰু বি পি এফৰ সমৰ্থনত বিজেপি কৰ্মকৰ্তা বিকন চন্দ্ৰ ডেকাক ৰাইজে বিধায়ক কৰি আনিব লগে যাতে বিটিচিৰ সম উন্নয়ন আৰু সম বিকাশ সম্ভৱ হয়। এই মন্তব্য ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক সুজিত সৰকাৰৰ। এন ডি এৰ প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ প্ৰসংগত তেওঁ উক্ত মন্তব্য আগবঢ়ায় আৰু কয় যে, টংলাবাসী ৰাইজৰ ইচ্ছা আকাংক্ষা পূৰণৰ লক্ষ্যৰে বিজেপি দলে এন ডি এৰ প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে আৰু ৰাইজে বিজয়ী নিশ্চিত কৰিব লাগিব বুলি ভাষণত আহ্বান জনায়। আনহাতে বিকন চন্দ্ৰ ডেকাই ৰাইজক উদ্দেশ্যে প্ৰদান কৰা ভাষণ প্ৰসংগত কয় যে কৰ্মযোগী হিমন্ত বিশ্ব শৰ্মা আৰু বলিষ্ঠ নেতা হাগ্ৰামা মহিলাৰীৰ বিটিচিৰ উন্নয়নৰ বাবে বৃহৎ পৰিকল্পনা কৰিছে আৰু ৰাইজে এন ডি এৰ প্ৰাৰ্থীক এইবাৰ বিধান সভাৰ নিৰ্বাচনত ভোট প্ৰদান কৰি বিজয়ী কৰিব লাগে। এই বিজয় এন ডি এৰ বিজয়, ৰাইজৰ বিজয়। এইবাৰ বিধান সভা নিৰ্বাচনত এন ডি এৰ বিজয় হলে ট্ৰিপুল ইঞ্জিনৰ চৰকাৰে আমাৰ বিটিচিৰ উন্নয়ন ক্ষিপ্ৰ কৰি তুলিব বুলি ভাষণ প্ৰসংগত কয়। আজি টংলা বিধানসভা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ নিৰ্বাচনী প্ৰচাৰত বিজেপি, অগপ আৰু বি পি এফৰ ৮ খনকৈ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। তিনিওটা ৰাজনৈতিক দলৰ নেতা আৰু কৰ্মী সকলৰ লগতে এন ডি এৰ প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাই টংলা সুজিত নাৰ্যাৰী সভাগৃহত ওদালগুৰি জিলা সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ সভাপতি সুজল দাসৰ নেতৃত্বত টংলা, কলাইগাঁও আৰু পাণেৰী আঞ্চলিক সমিতিৰ উদ্যোগত বিকন চন্দ্ৰ ডেকাক সম্বৰ্দ্ধনা জনোৱা হয়। ইয়াৰ পিছত টংলা বৰজলাহ, পানেৰী চাহ বাগিছা, চৈবাৰী, পুৰন্দিয়া, মেৰবাংচুবা, বতিয়ামাৰী আৰু জলাহ গাঁৱত নিৰ্বাচনী প্ৰচাৰ চলাই ৰাইজক টংলা সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত পদুম ফুলৰ ছবিত ভোট প্ৰদানৰ আহ্বান জনায়।

## ভোটাৰ পৰিচয় পত্ৰৰ উপৰি অন্যান্য ১২ বিধ নথিত অনুমোদন নিৰ্বাচন আয়োগৰ

**গণস্তম্ভ, গুৱাহাটী, পিএন চি ঃ** আগন্তুক বিধানসভাৰ সাধাৰণ নিৰ্বাচনত ফটোযুক্ত পৰিচয় পত্ৰ পোৱা ভোটাৰসকলে ভোটদানৰ সময়ত তেওঁলোকৰ এই পৰিচয়পত্ৰ দেখুৱাব লাগিব। যিসকল ভোটাৰৰ ফটোযুক্ত পৰিচয় পত্ৰ নাথাকে তেওঁলোকে আয়োগে নিৰ্দিষ্ট কৰা ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাই ভোট দান কৰিব পাৰিব। এই ১২ বিধ নথিৰ ভিতৰত আছে— আধাৰ কাৰ্ড, এমজিএনৰেগাৰ জব কাৰ্ড, বেংক/ডাকঘৰৰ পাছবুক (ফটোসহ), আয়ুষ্মান ভাৰত/স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, গাড়ী চালনাৰ অনুজ্ঞাপত্ৰ (ড্ৰাইভিং লাইচেন্স), পেনকাৰ্ড, ৰাষ্ট্ৰীয় জনসংখ্যা পঞ্জীৰ (এনপিআৰ) স্মাৰ্ট কাৰ্ড, ভাৰতীয় পাছপ'ৰ্ট, পেঞ্চনৰ নথি (ফটোসহ), চৰকাৰ/পিএছইউ/পাব্লিক লিমিটেড কোম্পানীৰ দ্বাৰা প্ৰদত্ত সেৱা পৰিচয় পত্ৰ, সংসদ/বিধানসভা/বিধান পৰিষদৰ সদস্যসকলৰ বাবে প্ৰদত্ত চৰকাৰী পৰিচয় পত্ৰ আৰু ইউনিক ডিজেবিলিটি আইডি (ইউডিআইডি) কাৰ্ড। আনহাতে ভোটাৰজনৰ পৰিচয় সাব্যস্ত কৰিব পাৰিলে, ফটোযুক্ত ভোটাৰ পৰিচয়পত্ৰত থকা বানান ভুল আদি উপেক্ষা কৰিবলৈও নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। অন্য সমষ্টিৰ নিৰ্বাচক পঞ্জীয়ন বিষয়াৰ দ্বাৰা আগতে প্ৰদান কৰা ফটোযুক্ত ভোটাৰ পৰিচয়পত্ৰ দাখিল কৰিও ভোটদান কৰিব পৰা যাব যদিহে ভোটাৰজনৰ নাম ভোট দিবলৈ যোৱা ভোটগ্ৰহণ কেন্দ্ৰত ইতিমধ্যে অন্তৰ্ভুক্ত কৰা হৈছে। ভোটাৰ পৰিচয়পত্ৰত থকা ফটোৰ বিসংগতিৰ বাবে যদিহে ভোটাৰজনৰ পৰিচয় সাব্যস্ত কৰিব পৰা নাযায় তেন্তে তেওঁ ওপৰত উল্লেখ কৰা যিকোনো এবিধ নথি দেখুৱাব লাগিব। বিদেশত থকা আৰু ১৯৫০ চনৰ জন প্ৰতিনিধিত্ব আইনৰ ধাৰা ২০ (ক) অনুসৰি ভোটাৰ তালিকাত নামভৰ্তি কৰা ভোটাৰসকলক ভোটগ্ৰহণ কেন্দ্ৰত কেৱল তেওঁলোকৰ মূল পাছপ'ৰ্টৰ ভিত্তিতহে পৰিচয় নিশ্চিত কৰা হ'ব। এই ক্ষেত্ৰত আন কোনো পৰিচয় পত্ৰ গ্ৰহণযোগ্য নহ'ব।

## ওৰাং আৰক্ষীৰ অভিযানত পুনৰ ৭ কেজি ৫০০গ্ৰাম নিষিদ্ধ গাঞ্জা

# এজন হনুমান বাবা তথা আন্তঃৰাজ্যিক গাঞ্জা ব্যৱসায়ীক গ্ৰেপ্তাৰ



**গণস্তম্ভ সেৱা, ওদালগুৰি ঃ** ওদালগুৰি জিলাৰ ওৰাং আৰক্ষীৰ অভিযানত পুনৰ ৭ কেজি ৫০০ গ্ৰাম নিষিদ্ধ গাঞ্জা জব্দ। ৩০ মাৰ্চত নিশা ৰমান বজাত ওৰাং তালাচী অভিযানত ৭ কেজি ৫০০ গ্ৰাম নিষিদ্ধ গাঞ্জা জব্দ কৰে। ওৰাং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হীৰকজ্যোতি দাসৰ নেতৃত্বত লেন্স নায়ক বিশ্বজিত সূত্ৰধৰ, মহিলা আৰক্ষী কঞ্জনা ৰাভা আৰু মাজৰচুৰা গাঁওৰক্ষী বাহিনীৰ সম্পাদক আব্দুল জলিল, গাঁওৰক্ষী আচিকুৰ ৰহমানৰ সহযোগত এপিবিএনৰ বেটেলিয়নৰ সৈতে ৩০ মাৰ্চত নিশা ১- বজাত যোৱা এক আৰক্ষীৰ দলে ২নং ওদালগুৰি জংঘল গাঁও অঞ্চলত তালাচী চলায়। আৰক্ষীৰ অভিযানত ২নং ওদালগুৰি জংঘল গাঁও অঞ্চলৰ আব্দুল মতিনৰ পুত্ৰ ৩৪ বছৰীয়া ৰিৱাজ উদ্দিনৰ গৃহৰ পৰা ৭ কেজি ৫০০ গ্ৰাম নিষিদ্ধ গাঞ্জা জব্দ কৰে। ওৰাং আৰক্ষী থানাৰ অধীনস্থ ২নং ওদালগুৰি জংঘলগাঁৱৰ গাঞ্জা ব্যৱসায়ী তথা হনুমান বাবা ৰিৱাজ উদ্দিনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গাঞ্জা ব্যৱসায়ীৰ গৃহ তালাচী সময়ত হনুমান বাবা আদিৰ সাজপোছাক, সা-সামগ্ৰীবোৰ উদ্ধাৰ কৰে। ইতিমধ্যে ওৰাং আৰক্ষীয়ে ৰচ ঙ্গছ নম্বৰত এটা কেচ ৰজু কৰি তদন্ত চলাই আছে। ওৰাং আৰক্ষীৰ সফলতাক স্থানীয় ৰাইজৰ ওদালগুৰি জিলা সচেতন নাগৰিক সমাজ, ওৰাং আঞ্চলিক নাগৰিক উন্নয়ন সংস্থাই শলাগ লৈ প্ৰশংসা কৰিছে। উল্লেখযোগ্য যে- হনুমান বাবা হ'ল— এটি ভুৱা বৃহৎ কুখ্যাত কবিৰাজী বাহিনী। কাৰোবাৰ বেমাৰ আজাৰ হ'লে শুশ্ৰূষাৰ নামত ভাল কৰি দিম বুলি টকা দাবী কৰে। আৰু ১০ হেজাৰ টকা দিলে ১০ লাখ টকা উলিয়াই দিয়া হ'ব বুলি একাংশ ব্যক্তিক ঠগ প্ৰবঞ্চন আৰু প্ৰতাৰণা কৰি অহা এটি বৃহৎ অপৰাধীৰ দল। এই দলটোৰ এগৰাকী সদস্য আৰু গাঞ্জা ব্যৱসায়ী গ্ৰেপ্তাৰ কৰি আজি জেললৈ প্ৰেৰণ কৰে।

## প্ৰাক্তন আছু নেতাক বিৰূপ মন্তব্য কৰি আছুৰ প্ৰাক্তন সতীৰ্থৰ ৰোষত দুলু আহমেদ

**নিউজ ডেস্ক, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে আৰু নিশ্চিত ভাৱে হৈয়ে থাকিব। সমান্তৰালভাৱে ৰাজনৈতিক দল সমূহেও বোকা ছটিওৱাৰ খেল খেলি আছে আৰু খেলি থাকিব। প্ৰচাৰ চলাই আছে, চলায়ো থাকিব। কিন্তু ইয়াৰ মাজতে নিজ পত্নীক জনপ্ৰতিনিধি সজাবলৈ গৈ লাগ বান্ধ নোহোৱা কথাৰে নিৰ্বাচনী প্ৰচাৰ চলাই থকা সম্প্ৰতি তৃণমূল কংগ্ৰেছৰ বিয়াগোম নেতা বুলি নিজকে ভবা দুলু আহমেদৰ অতি সম্প্ৰতি এক বিৰূপ মন্তব্যৰ প্ৰতি আছুৰ প্ৰাক্তন সতীৰ্থ সন্মিলন, বৰপেটাৰ দৃষ্টিগোচৰ হৈছে। আজি এক প্ৰেছ বিবৃতি যোগে সংস্থাটোৰ কাৰ্যকৰী সভাপতি নকুল তালুকদাৰ আৰু মুখ্য সম্পাদক গোৱিন্দ গায়নে কয় যে, নৈতিকতা বিসৰ্জন দি নিশাটোৰ ভিতৰতে দল সলনি কৰি ঘূৰি ফুৰা ডলাৰ বগৰী দুলু আহমেদে অসমৰ সকলো প্ৰাক্তন আছু নেতা-কৰ্মীক উদ্দেশ্য কৰি অতি তৰল, অপমানসূচক মন্তব্য কৰি নিজৰ নিকৃষ্ট মনৰ পৰিচয় ডাঙি ধৰিছে। দুলু আহমেদৰ দৰে এগৰাকী ভণ্ড তথা মতলৱবাজ নেতাই প্ৰাক্তন আছু নেতা-কৰ্মীক লৈ সমালোচনা বা বিৰূপ মন্তব্য কৰাৰ নৈতিক অধিকাৰ নাই। প্ৰেছ বিজ্ঞপ্তিটোত প্ৰাক্তন আছু নেতা-কৰ্মীক লৈ কৰা বিৰূপ মন্তব্য সম্পৰ্কত দুলু আহমেদক তীব্ৰ গৰিহণা প্ৰদান কৰাৰ লগতে আগন্তুক দিনত প্ৰাক্তন ছাত্ৰ নেতা-কৰ্মীক লৈ কোনো মন্তব্য নকৰিবলৈ সকীয়াই দিয়াৰ লগতে দুলু আহমেদক ক্ষমা খুজিবলৈ দাবী জনাইছে আছুৰ প্ৰাক্তন সতীৰ্থ সন্মিলনৰ বৰপেটা জিলা সমিতিৰ কাৰ্যকৰী সভাপতি নকুল তালুকদাৰ আৰু মুখ্য সম্পাদক গোবিন্দ গায়নে। আমাৰ দৃষ্টিত একমাত্ৰ ক্ষমতাৰ লোভত অন্ধ হৈ পৰা দুলু আহমেদে যেনে ধৰণৰ আচৰণত লিপ্ত হৈছে আমাৰ মনে ধৰিছে তেওঁ মানসিক অশান্তিত আছে বোধ হয়, যাৰ বাবে এগৰাকী ৰাজনৈতিক ব্যক্তি হৈ প্ৰাক্তন আছু নেতা, কৰ্মীৰ প্ৰতি সৰৱ হৈ পৰে বুলি বিবৃতিটোত কয়। আনকি কাৰ্যকৰী সভাপতি নকুল তালুকদাৰ আৰু সম্পাদক গোৱিন্দ গায়নে ইয়াকো দোহাৰে যে, দুলু আহমেদৰ চিকিৎসা আৰু বিশ্ৰামৰ প্ৰয়োজন হৈছে আৰু তেওঁক পৰিয়ালৰ লোকে কথাটো ভৱা উচিত বুলি জানিবলৈ দিয়ে।

# বিজেপি প্ৰাৰ্থী অশোক সিংঘালৰ সমৰ্থনত দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ বিশাল জনসভাত নিৰ্বাচনী প্ৰচাৰ

**ঢেকীয়াজুলিত বিজেপিৰ নিৰ্বাচনী ৰণডংকা**



**গণস্তম্ভ সেৱা, ওদালগুৰি ঃ** সম্প্ৰতি নিৰ্বাচনী বতাহে গৰম কৰি তুলিছে ৰাজ্যৰ ৰাজনীতি। কি বিজেপি, কি কংগ্ৰেছ, কি অগপ, কি ৰাইজৰ দল, কি জাতীয় পৰিষদ, কি এআইডিইউএফ, কি নিৰ্দলীয়-এতিয়া সকলো নিৰ্বাচনী প্ৰচাৰত ব্যস্ত। ইয়াৰ মাজতে আজি ঢেকীয়াজুলি বিধানসভা সমষ্টিত শাসকীয় বিজেপি দলে বিশাল জনসভাৰ আয়োজন কৰি নিৰ্বাচনী ৰণডংকা তথা শক্তি প্ৰদৰ্শন কৰিলে। দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপি মনোনীত প্ৰাৰ্থী অশোক সিংহলৰ সমৰ্থনত বিশাল নিৰ্বাচনী জনসভা সম্বোধন কৰিবলৈ শ্বহীদ তীৰ্থ ঢেকীয়াজুলিত উপস্থিত হয়। ইয়াকে লৈ জনসমুদ্ৰত পৰিণত হ'ল ঢেকীয়াজুলি চাহ বাগিছাৰ খেলপথাৰ। আজি বিশেষ চৰ্চা লাভ কৰা গেৰুৱা বাহিনীৰ এই সভাত হাজাৰ হাজাৰ বিজেপি সমৰ্থকৰ সমাগম ঘটে। সিফালে ভাষণ প্ৰসংগত বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কয়, 'মই মোৰ বন্ধু অশোক সিংহলক জিকাবলৈ ঢেকীয়াজুলিত আহিছো।' ৰাইজক অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে ভোট দিবলৈ আৰু গৌৰৱ গগৈ আহিলে এচ আৰ কিয় বিৰোধিতা কৰি আছে তাক সুধিবলৈও তেওঁ আহ্বান জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ভাষণত লগতে উল্লেখ কৰে যে বিজেপি চৰকাৰ অহাৰ পাছত অসমত সন্ত্ৰাসবাদ নোহোৱা হ'ল। বটদ্ৰৱাত আমি বেদখলকাৰীক উচ্ছেদ কৰিলোঁ। নৰেন্দ্ৰ মোদী চৰকাৰে ভাৰতৰত্ন প্ৰদান কৰিলে ড° ভূপেন হাজৰিকাক। দেশৰ সুৰক্ষা কংগ্ৰেছৰ বাবে বিষয় নহয়। মই ইয়াত গৌৰৱ গগৈক প্ৰশ্ন কৰিব বিচাৰিছো - অসম আন্দোলনৰ শ্বহীদৰ স্মাৰক কিয় নবনালে কংগ্ৰেছে? যেতিয়া আপোনাৰ দেউতা মুখ্যমন্ত্ৰী আছিল, কেন্দ্ৰই অসমক কিমান টকা দিছিল? এনেকৈ কংগ্ৰেছ আৰু গৌৰৱ গগৈৰ বিৰুদ্ধে আক্ৰমণাত্মক ৰূপত দেখা গ'ল গৃহমন্ত্ৰী অমিত শ্বাহক। উল্লেখ্য যে নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ঢেকীয়াজুলিত এতিয়া মূলতঃ বিজেপি আৰু কংগ্ৰেছৰ মাজৰ যুঁজখন তীব্ৰতৰ হৈ পৰিছে। আজি বিজেপিৰ এই বিশাল জনসভাই তৃতীয়বাৰৰ বাবে প্ৰাৰ্থিত্ব লাভ কৰা অশোক সিংহলৰ নিৰ্বাচনী যাত্ৰাত এক নতুন মাত্ৰা প্ৰদান কৰিলে

## জ্যেষ্ঠ নাগৰিক সকল সমাজৰ বটবৃক্ষ স্বৰূপ ঃ জেষ্ঠ সাংবাদিক জীতেন শৰ্মা

**গণস্তম্ভ, নলবাৰী, প্ৰণৱজ্যোতি কলিতা ঃ** জ্যেষ্ঠ নাগৰিক সকল এখন সমাজৰ বটবৃক্ষ স্বৰূপ, যি বৃক্ষৰ ছাঁত সমাজৰ প্ৰতিগৰাকী অনুজ আৰু কণিষ্ঠই নিৰাপদ আশ্ৰয়, মৰম - স্নেহেৰে উজ্জীৱিত সান্নিধ্য লাভ কৰে- এই মন্তব্য নলবাৰীৰ জ্যেষ্ঠ সাংবাদিক জিতেন শৰ্মাৰ। নলবাৰীৰ শিৱ গণেশ শান্তি ধামৰ সভাগৃহত আয়োজিত উত্তৰ নলবাৰী জ্যেষ্ঠ নাগৰিক মঞ্চৰ দ্বি- বাৰ্ষিক সভা উদ্বোধন কৰি তেওঁ জ্যেষ্ঠ নাগৰিকসকলৰ জীৱন শৈলী আৰু আনুষংগিক বিষয়ৰ ওপৰত আলোকপাত কৰে। সভাখনত বিশিষ্ট অতিথি হিচাপে প্ৰাসংগিক বক্তব্য প্ৰদান কৰে নলবাৰী দেৱীৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ, সমাজকৰ্মী নগেন দত্তই। নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি ধ্ৰুৱকিংকৰ গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আঁত ধৰে মঞ্চৰ সাধাৰণ সম্পাদক লাৱন্য কাকতিয়ে। ইফালে আজি পুৱা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হয় দিনটোৰ কাৰ্যসূচী। মঞ্চৰ সভাপতি ধ্ৰুৱকিংকৰ গোস্বামী, উপ-সভাপতি উমেশ চন্দ্ৰ দাস আৰু জনক চন্দ্ৰ কলিতাই বন্তি প্ৰজ্বলন কৰে। স্মৃতি তৰ্পণ কৰে পূৰ্ন ৰাম কলিতা, আৰু ৰোহিনী কুমাৰ ৰাজবংশীয়ে। পুৱা এঘাৰ বজাত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত আগন্তুক কাৰ্যকালৰ বাবে ধ্ৰুৱকিংকৰ গোস্বামীক সভাপতি, পূৰ্ণৰাম কলিতাক কাৰ্যকৰী উমেশ চন্দ্ৰ দাসক উপ-সভাপতি, লাৱণ্য কাকতিক সাধাৰণ সম্পাদক আৰু প্ৰমোদ চন্দ্ৰ তালুকদাৰক সম্পাদক হিচাপে এখন শক্তিশালী সমিতি গঠন কৰা হয়।

## ধুবুৰী বিধানসভা সমষ্টিত কংগ্ৰেছৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

**গণস্তম্ভ, ধুবুৰী ব্যুৰ', প্ৰনৱাশীষ ৰয় ঃ** আগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ধুবুৰী বিধানসভা সমষ্টিত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে কংগ্ৰেছ দলে। কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী বেবী বেগমে সমষ্টিটোত ৰাইজৰ কাষ চাপিবলৈ চলাই গৈছে তেওঁৰ নিৰ্বাচনী প্ৰচাৰ। ধুবুৰী সমষ্টিৰ ৰাইজ তেওঁৰ ওচৰত আছে বুলি কৈ কংগ্ৰেছ দলৰ প্ৰাৰ্থী বেবী বেগমে কয় সমষ্টিটোত তেওঁ এগৰাকী মহিলা প্ৰাৰ্থী হিচাপে ৰাইজে তেওঁক যথেষ্ট সন্মান যাচিছে। কংগ্ৰেছ প্ৰাৰ্থী বেবী বেগমে কয়, ধুবুৰী সমষ্টিৰ ভোটাৰ ৰাইজে এইবাৰ পৰিৱৰ্তন বিচাৰিছে। গতিকে ধুবুৰী সমষ্টিৰ পৰা এইবাৰৰ বিধানসভা নিৰ্বাচনত এআইইউডিএফ দলৰ বিদায় নিশ্চিত বুলি তেওঁ দাবী কৰে।

## দাগী হত্যাকাৰী ছাদ্দাম হুছেইনঃ চেঙা সমষ্টিত অগপ'ৰ প্ৰাৰ্থী

# চেঙা সমষ্টিবাসীয়ে হত্যাকাৰীক ভোট দিব নেকি-সচেতন মহলৰ প্ৰশ্ন ?



**গণস্তম্ভ, বৰপেটা, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** ইতিমধ্যে প্ৰতিবেদন এক'ত বৰপেটা জিলাৰ ৮নং চেঙা বিধানসভা সমষ্টিৰ এনডিএ সমৰ্থিত মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী ছাদ্দাম হুছেইনৰ পৰ্দাৰ আঁৰৰ কলংকিত অধ্যায়ৰ কিছু কথা ৰাইজৰ জ্ঞানাৰ্থে উপস্থাপন কৰা হৈছে। তেতিয়াৰ তদন্তকাৰী এচএচপি পাৰ্থ সাৰথি মহন্তৰ বহু গুৰুত্বপূৰ্ণ তথ্য সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে বেংক বিষয়া জুনু শৰ্মাৰ হত্যাকাণ্ড সন্দৰ্ভত। ছাদ্দাম হুছেইনে ৫ লাখ টকাৰ চুপাৰি কিলাৰ বন্দোৱস্ত কৰাৰ সময়ত প্ৰেমিকা পূজা দাসৰ জৰিয়তে হাজোৰ দাগী অপৰাধী অজন্তা কলিতাৰ সৈতে জুনু শৰ্মাৰ হত্যাৰ পৰিকল্পনা সুপৰিকল্পিত ভাৱে কৰিছিল। ছাদ্দাম হুছেইনৰ চুপাৰি কিলাৰ অজন্তা কলিতাই ১০ লাখ টকা বিচাৰি প্ত লাখ টকাত সেই কাম দুধৰ্ষ আলফা দৃষ্টি ৰাজখোৱাৰ পিএচও বিকাশ অসম'ক প্ৰদান কৰে। বিকাশ অসমে ২০১৭ চনত আত্ম সমৰ্পণ কৰিছিল। ২০১৮ চনৰ ৯ অক্টোবৰৰ মংগলবাৰৰ দিনা অজন্তা কলিতাই ছাদ্দামৰ প্ৰেমিকা পূজা দাসক আবেলি ৪ বজাত বাইকত লৈ গৈ দদৰা এচবিআই বেংক'ত নমাই থয়। পূজাৰ কাম আছিল জুনু শৰ্মা কেতিয়া বেংকৰ পৰা ওলাই যায় সেই খবৰটো অজন্তা আৰু বিকাশ অসমক জনোৱা। সেইমতে পূজা দাসে ৬.৩০ বজাত অজান্তহঁক খবৰটো জনায়। ইফালে অজন্তা আৰু বিকাশ অসম আগৰে পৰা বাইকত সাজু আছিল। যেতিয়া বেংক বিষয়া জুনু শৰ্মা নিজৰ কৰ্তব্য সামৰি বেংকৰ পৰা ওলাই নিজ ঘৰ চান্দমাৰী নিজৰাপাৰলৈ চাৰিচকীয়া বাহনেৰে ৰাওনা হয় তেতিয়া আজ্ঞাঠুৰীত দুচকীয়া বাহনত যোৱা উক্ত দুৰ্বৃত্তৰ গুলীত জুনু শৰ্মা ধাৰাশায়ী হয়। ২০১৮ চনৰ ৯ অক্টোবৰৰ নিশা ৮.২৩ বজাত সংঘটিত ৰাজ্য জুৰি শিহৰণকাৰী হত্যাকাণ্ডৰ পিছৰ ৰবিবাৰে পুৱা নিশা ছাদ্দাম, সুনীল মিশ্ৰ আৰু প্ৰণৱ কলিতাক কামৰূপ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। পিছদিনা তিনিও জনক কামৰূপ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। তাৰ পিছত সিহঁতক ১৪ দিনৰ আৰক্ষী জিম্মাত পঠোৱা হয়। তাৰ পিছৰ পৰ্যায়ত ছাদ্দাম হুছেইনৰ প্ৰেমিকা পূজা দাস, অজন্তা কলিতা আৰু বিকাশ অসম'ক যথা শীঘ্ৰে আৰক্ষীয়ে গ্ৰপ্তাৰ কৰি বিশেষ সফলতা লাভ কৰে। এনেকুৱা ধূৰন্ধৰ ঋণ মাফিয়া, বেংক কেলেংকাৰীত জড়িত, হত্যাত লিপ্ত তেতিয়াৰ ২৫ বছৰীয়া ছাদ্দাম হুছেইন এই বাৰ চেঙা বিধানসভা সমষ্টিৰ এনডিএ সমৰ্থিত মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী। চেঙা সমষ্টিৰ সচেতন মহলে ভোটাৰ ৰাইজক প্ৰশ্ন কৰিছে যে তেওঁলোকে এনেকুৱা দূৰ্ধৰ্ষ হত্যাকাৰীক ভোটদান কৰি নিজৰ আত্মমৰ্যাদা বিসৰ্জন দিব? এয়া ভোটাৰ ৰাইজৰ বাবে লজ্জাজনক কথা যে তেওঁলোকে এজন হত্যাকাৰীৰ পিছে-পিছে কেনেকৈ সমষ্টিটোত ভোট ভিক্ষাত নামিছে?

## শিৱসাগৰত প্ৰদীপ হাজৰিকাৰ হৈ নিৰ্বাচনী প্ৰচাৰত অগপ সভাপতি অতুল বৰা

**গণস্তম্ভ, শিৱসাগৰ, প্ৰশান্ত দাস ঃ** ৰাজ্যত তুংগত হৈ পৰিছে নিৰ্বাচনী প্ৰচাৰ। একে পৰিবেশ শিৱসাগৰ সমষ্টিত। আজি শিৱসাগৰ বিধানসভা সমষ্টিৰ এন ডি এ সমৰ্থিত অ গ প প্ৰাৰ্থী প্ৰদীপ হাজৰিকাৰ বাবে নিৰ্বাচনী প্ৰচাৰ চলালে অতুল বৰাই। প্ৰচাৰ অভিযানত সভাপতি গৰাকীয়ে কয় এইবাৰ শিৱসাগৰত এশ শতাংশ আমি বিজয়ী হম। সমগ্ৰ ৰাজ্যত মিত্ৰজোঁটে ৯০ পৰা এশখন আসন লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে মিঞাক লৈ কৰা শেহতীয়া মন্তব্যই সংখ্যালঘু সমষ্টিৰ অ গ প প্ৰাৰ্থী সকলক বিপদত পেলাব নেকি বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত অতুল বৰাই অ গ প এটা শক্তিশালী দল ই অগপ দলৰ প্ৰাৰ্থীসকলক সংখ্যালঘু সমষ্টিসমূহত কোনো প্ৰভাৱ নেপেলায় বুলি মন্তব্য কৰে। শিৱসাগৰত প্ৰদীপ হাজৰিকা আৰু কুশল দুৱৰীক একেলগে টিকট প্ৰদান কৰি উজনিত বি জে পিয়ে অ গ প দলক নিঃশেষ কৰাৰ ষঞ্জযন্ত্ৰ কৰিছে নেকি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেনেকুৱা একো নহয় এইয়া নিৰ্বাচন জিকাৰ এক কৌশল বুলি মন্তব্য অতুল বৰাৰ। প্ৰিয়ংকা গান্ধীৰ অসম ভ্ৰমণে নিৰ্বাচনত কোনো প্ৰভাৱ নেপেলায় বুলি মন্তব্য অতুল বৰাই। কংগ্ৰেছ স্বাধীনতাৰ সময়ৰ পৰাই থকা এটা দল। তেওঁলোকে দীৰ্ঘ সময় ধৰি শাসনত থকা দল। ৰাইজৰ তেওঁলোকৰ ওপৰত বিশ্বাস আৰু ভৰসা নাই। তেতিয়াৰ আৰু বৰ্তমানৰ শাসনৰ মাজত বহু পাৰ্থক্য আছে। হিমন্ত বিশ্ব শৰ্মাৰ সময়ত অসমৰ বিকাশ দ্ৰুত গতিত আগুৱাই গৈ আছে। অখিল গগৈ নিৰ্বাচনত হাৰিম বুলি নিশ্চিত হৈছে। গতিকে তেওঁ উন্মাদৰ দৰে আচৰণ কৰিছে।

## মানুহে নিজৰ লগতে আনৰ কথা চিন্তা কৰে তেওঁক সমাজে স্মৰণ কৰে ঃ দীপজ্যোতি বৰপূজাৰী

# সাহিত্য সেৱি, অৱসৰি শিক্ষক দীনেশ চন্দ্ৰ লহকৰৰ স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা

**কাব্যগ্ৰন্থ 'জোন গলা ঘাটত' উন্মোচন**



**গণস্তম্ভ সেৱা, বাহাৰঘাট ঃ** নলবাৰী জিলাৰ বাহাৰঘাট আঞ্চলিক শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ, সাহিত্য-সংস্কৃতি সেৱী, সমাজ সংগঠক দীনেশ লহকৰৰ স্মৃতিচাৰণ আৰু জীৱন-কৃতিৰ ওপৰত যুগুতোৱা স্মৃতিগ্ৰন্থখন আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বাহাৰঘাট আঞ্চলিক শাখা সাহিত্য সভাৰ উদ্যোগত আৰু প্ৰয়াত লহকৰৰ পৰিয়ালৰ সহযোগত দেহাৰকুছি (বৰিতোলা) স্থিত লহকৰৰ বাসগৃহত অনুষ্ঠিত উন্মোচনী সভাত দেৱকান্ত ভট্টাচাৰ্য সম্পাদিত 'প্ৰাজ্ঞদৰ্পণ' স্মৃতিগ্ৰন্থখন উন্মোচন কৰি নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ দ্বিপজ্যোতি বৰপূজাৰীয়ে কয় যে অভাৱ পূৰণ কৰিবলৈ আমি দৌৰি ফুৰো। সমাজৰ অধিকাংশ লোকে নিজৰ পৰিয়ালৰ বাবে চিন্তা কৰে কিন্তু যি সকলে সমাজৰ কাৰণে চিন্তা কৰে সেই সকল মানুহকে স্মৰণ কৰে। যিয়ে জীৱনত যশস্যা উপাৰ্জন কৰে সেয়াই স্থায়ী হৈ থাকে আৰু সেই সকলকে ৰাইজে স্মৰণ কৰে। যিসকলৰ সাহিত্য, সংগীত আৰু কলাৰ প্ৰতি ৰুচিবোধ নাথাকে সেইসকল পশুতুল্য বুলি কোৱা হয়। বাহাৰঘাট আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি ৰজত চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত আৰু দেৱকান্ত ভট্টাচাৰ্যই আঁত ধৰা সভাখনতে প্ৰয়াত লহকৰৰ জ্যেষ্ঠ কন্যা মিনাক্ষী প্ৰিয়দৰ্শনীৰ ৰচিত কাব্য গ্ৰন্থ 'জোন গলা ঘাটত' উন্মোচন কৰি বৰভাগ মহাবিদ্যালয়ৰ অৱসৰি অধ্যক্ষ ফণীধৰ ডেকাই কয় যে প্ৰয়াত লহকৰ এজন সংস্কাৰিয়ে নহয় এজন প্ৰজ্ঞাৰ সাধক আছিল। সেইবাবে তেওঁৰ কন্যাই ও কবিতা লিখি ৰাইজৰ মাজত বিলাব পাৰিছে। সভাত অংশগ্ৰহণ কৰি বৰভাগ মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ ৰজত চন্দ্ৰ কলিতা, সাহিত্যিক তথা সাংস্কৃতিক মহাসভাৰ নলবাৰী জিলা সমিতিৰ সভাপতি সমীন্দ্ৰ নাথ মহন্ত, নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ বিপিন চন্দ্ৰ কলিতা, জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতা, প্ৰাক্তন বেংক বিষয়া ভূমিধৰ লহকৰ, সমাজকৰ্মী হাবিল আলি আদিয়েও লহকৰৰ স্মৃতি ৰোমন্থন কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখা সভাৰ সম্পাদক সুনিল কলিতা আৰু উদ্বোধনী ভাষণ প্ৰদান কৰে অনিল হুজুৰীয়ে। গীত পৰিৱেশন কৰে কমলা দেৱীয়ে। সভাত প্ৰয়াত লহকৰৰ জোৱাই দিবাকৰ কলিতাই তেওঁৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে উপস্থিত সকলো ৰাইজৰে শলাগ লয়। ইয়াৰ পূৰ্বে সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখা সভাৰ সভাপতি ৰজত চন্দ্ৰ শৰ্মাই। স্মৃতি তৰ্পণ কৰে চতমা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ নাথ শৰ্মাই। বৃক্ষৰোপণ কৰে সমাজকৰ্মী পৰাগজ্যোতি চৌধুৰী আৰু নৃপেন লহকৰে। লহকৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে লহকৰৰ সহধৰ্মিনী অৰুন্ধতী লহকৰে।

## দিছপুৰ প্ৰেছ ক্লাবৰ ত্ৰয়োদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত দৰঙৰ দুই সাংবাদিক সম্বৰ্ধনা



**গণস্তম্ভ, দুনী, ধ্ৰুৱজ্যোতি শৰ্মা ঃ** গুৱাহাটীত বিভিন্ন সংবাদ মাধ্যমৰ সাংবাদিক- সংবাদ কৰ্মীক লৈ গঠিত দিছপুৰ প্ৰেছ ক্লাৱে দেওবাৰে স-গৌৰৱে ত্ৰয়োদশ বৰ্ষত ভৰি দিলে। প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ লগতে মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুকলি সভাৰ অনুষ্ঠানতে ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই অহা কেইবাগৰাকী বিশিষ্ট সাংবাদিক ব্যক্তিক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা জনোৱা ব্যক্তি সকলৰ লগতে দৰঙৰ দৈনন্দিন বাৰ্তা কাকতৰ সাংবাদিক, ৰক্ত দাতা দ্বীপেন ডেকা আৰু অসমীয়া প্ৰতিদিন কাকত ডিজিটেল ডেস্কৰ সাংবাদিক প্ৰবীণ বৰুৱাকো সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, বুৰঞ্জীবিদ ড° ৰীতা বৰুৱা বিশিষ্ট উপন্যাসিক প্ৰভাত গোস্বামী, বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈ, বিশিষ্ট সমাজকৰ্মী নিপুল কলিতা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ-পূব প্ৰান্তৰ বৌদ্ধিক প্ৰচাৰ প্ৰমুখ শংকৰ দাস। প্ৰেছ ক্লাবৰ সভাপতি ড° নৰেন হাজৰিকা, কাৰ্যকৰী সভাপতি আৰ্জেদ হুছেইন চহৰীয়া আৰু সাধাৰণ সম্পাদক কুঞ্জ মোহন ৰায়ে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে।

# ডিপলোঙা মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক তিলক অধিকাৰীক বিদায় সম্বৰ্ধনা



**গণস্তম্ভ, চতিয়া, বিশ্বজিৎ সূত ঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ উত্তৰ পাৰৰ উচ্চ প্ৰাথমিক শিক্ষাৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান ডিপলোঙা মধ্য ইংৰাজী বিদ্যালয়। বিদ্যালয়ৰ বিজ্ঞান শিক্ষক তিলক অধিকাৰীয়ে ২০০৩ চনত ডিপলোঙা মধ্য ইংৰাজী বিদ্যালয়ত যোগদান কৰি বহু ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়ি সুদীৰ্ঘ ২৩ বছৰ বিদ্যালয়খনত শিক্ষকতা কৰি ৩১ মাৰ্চ তাৰিখে অৱসৰ গ্ৰহণ কৰে। সেই উদ্দেশ্যে বিদ্যালয়ত ৩০ মাৰ্চত বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিৎ শইকীয়াৰ সভাপতিত্বত এখনি বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক সত্যেন্দ্ৰ কুমাৰ বৰা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিৰেণ বসুমতাৰী, অৱসৰপ্ৰাপ্ত শিক্ষক শৈলেন শইকীয়া, শিক্ষক ভৰত কলিতা, পৰেশ বৰা, প্ৰাক্তন ছাত্ৰ, যুৱ লেখক বিশ্বজিৎ সূত, অভিজিৎ শইকীয়া, বিদ্যালয়ৰ শিক্ষক শৰৎ মহন্ত, হিৰণ্য দাস, জোনমণি বৰা, প্ৰাঞ্জল নাথ, জাহ্নৱী শইকীয়া আদিৰ লগতে বিদ্যালয়ৰ কৰ্মচাৰী, ৰাইজ-আইমাতৃ আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। বিদায়ী শিক্ষক গৰাকীক বিদ্যালয়ৰ তৰফৰ পৰা গামোচা, চেলেং, শৰাই, চাৰ্ট আদিৰ লগতে প্ৰাক্তন শিক্ষক, প্ৰাক্তন ছাত্ৰ আৰু ছাত্ৰ-ছাত্ৰীসকলে গামোচা, গ্ৰন্থৰ টোপোলা, কলম আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উপস্থিত সকলোৱে তিলক অধিকাৰীদেৱৰ শিক্ষকতা জীৱনৰ স্মৃতি ৰোমন্থন কৰি বক্তব্য প্ৰদান কৰে। বিদায়ী শিক্ষকৰ ভাষণত তেখেতে অতীতৰ স্মৃতি সুঁৱৰি, অঞ্চলটিৰ কথা, শিক্ষক, ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বক্তব্য প্ৰদান কৰি আৱেগিক হৈ পৰে। শেষত সভাপতি দেৱজিৎ শইকীয়াই শিক্ষক গৰাকীক উদ্দেশ্যি বক্তব্য আগবঞ্জঞ্জৱাৰ লগতে সভাপতিৰ একেষাৰ সামৰণি মাৰে আৰু সভাৰ সমাপ্তি ঘোষণা কৰে।

## ঈশ্বৰপুত্ৰী

জুনুমণি দাস
বৈকুণ্ঠনগৰ, নুনমাটি

এদিনাখন ৰাতি, হৈতো
দিন ৰাতিৰ দোমোজাত,
স্তব্ধ হৈ ৰৈছিল
সময়।
আৰু মোৰ শৰীৰটিও।
সেইদিনা মই,
গভীৰ নিদ্ৰাত আছিলোঁ।
মোৰ নিঠৰ দেহৰ
এটি এটি অংশ
স্তব্ধ হৈ পৰিছিল।
প্ৰথমে মস্তিস্ক,
তাৰ পিছত হৃদপিণ্ড
তাৰ পিছত চকু
আৰু তাৰ পিছত,
তাৰ পিছত মোৰ শৰীৰটো
আৰু মোৰ হৈ থকা নাছিল।
এই শৰীৰ আৰু মোৰ আত্মা
বিচ্ছিন্ন হৈ পৰিছিল।
মই খুব সুখী
কিন্তু অলপ দুখীও।
পুৰাৰ সময়ত মই দেখিলোঁ,
মোৰ সপৰিয়াল,
মোৰ লগত আছিল।
সেইদিনা তেওঁলোকে
খুব কান্দিছিল।
নাজানো মোৰ সুখত তেওঁলোক
ইমান দুঃখিত কিয়।
আচলতে মোৰ বয়স
বাঢ়ি আহিছিল।
যদিও মোৰ এই সংসাৰৰ
পৰা বিদায় লোৱাৰ
সময়কণ অহা নাছিল,
তথাপি
বিষ্ণুৰ কৃপাত মই
এতিয়া মুক্ত।
এই আত্মাহীন শৰীৰটোক
সেইদিনা সকলোৱে পুঁজিছিল।
মই চাই আছিলোঁ দূৰৈৰ পৰা।
মোৰ চাৰি পুত্ৰই এই
শৰীৰটোৰ চৰণ দুটি
স্পৰ্শ কৰি খুব কান্দিছিল।
মাতৃত্বৰ অনুভৱটি মোৰ
সেই সময়ত জাগ্ৰত হৈ গৈছিল।
সকলোৱে নয়নৰ নিয়ৰসনা
চকুলো মচি দি,
মোৰ ক'বলৈ মন গৈছিল
ধেৎ, ল'ৰা মানুহ নাকান্দে নহয়।
সেইদিনা মোক
নতুন এখন শয্যা দিয়া হৈছিল।
তাৰ ওপৰত মোক শুৱাই
থোৱা হৈছিল।
কিন্তু সেই সুখকণ সেই
নিঠৰ দেহটোৱেহে
ল'ব পাৰিছিল।
মই আঁতৰৰ পৰাই চাই ৰৈছিলো।
সেইদিনা মোৰ মুখত মাহ- হালধি
সানি দিছিল,
ঠিক আশী বছৰ
আগতে,
মোৰ বিবাহৰ
ক্ষণটোৰ দৰে।
মোক সেইদিনা
মোৰ 'আদৌ'জনীয়ে
দূৰৈৰ পৰাই চাই ৰৈছিল।
মই হেনো তাইৰ
আইতাক আছিলোঁ।
তাই মোক অভিমান
কৰা বুলি ভাবিছিল।
'আইতা' 'আইতা' বুলি চিঞৰি
চিঞৰি বিনাইছিল।
মই খুব কৈছিলো নেকান্দিবি,
মই তোৰ,
মই তোৰ ওচৰতে আছোঁ।
কিন্তু নাই
মোৰ কথা ক'ত শুনিব।
হেৰৌ, মইটো তাইৰ
কাষতে আছিলোঁ
তাইহে মোক দেখা নাই।
সকলোৱে সেই মৰা শটোৰ
শুশ্ৰূষাত ব্যস্ত।
চকুপানীবোৰ অহৰহ
নিগৰি পৰিছিল।
মই কাকো বাধা
দিব পৰা নাছিলোঁ,
মৃত শৰীৰটোক
সেইদিনা বগা কাপোৰেৰে
ঢাকি দিয়া হৈছিল।
কিজানি মই বগা ৰং
ভালপাও বাবেই নে কি!
কিছুমান নিয়ম-নীতি
পালন কৰি
সেই শৰটো
মোৰ, পুত্ৰ চাৰিজনেই
কান্ধত তুলি লৈছিল।
আৰু,
মোৰ স্বামী
চিৰকাল যিখিনি ঠাইত
শুই পৰিছিল
তালৈ নিষ্প্ৰাণ দেহটো
লৈ অনা হৈছিল।
মোৰ স্বামীৰ সৈতে দেহটোৰ
মিলন হ'ব নেকি বাৰু?
নাই নাই সেয়া মোৰ স্বামী নহয়।
মোৰ স্বামী এতিয়া
অইন কাৰোবাৰ প্ৰাণৰ
পুৰুষ।
মই অকলশৰীয়া।
মোৰ শৰীৰ নিষ্প্ৰাণ।
মই এতিয়া
এটি আত্মা।
তাত সেই শৰীৰটোক
জুই দিয়া হ'ল।
অত দিনে মোৰ হৈ থকা
এই শৰীৰটো দহন
হোৱা মই চাব পৰা নাই।
মোৰ অহংকাৰ,
মোৰ সম্পদ,
মোৰ সন্মান
সকলো ইয়াতেই দাহ গ'ল।
মোৰ নিথৰ দেহৰ
জ্বলন মই সহিব পৰা নাই।
যুগ যুগান্তৰলৈ এই আশী
বছৰে থিতাপি লোৱা
দেহটিক মই বিদায় দিলোঁ।
মোৰ সৰ্বপুত্ৰ
কান্দোনত ভাগি পৰিছিল।
মই কাৰো অশ্ৰু মচি দিব
পৰা নাছিলোঁ।
লাহে লাহে দেখিলো
সেই দেহটি ছাই হৈ
বতাহত জেনি তেনি
উৰি গ'ল।
ময়ো লাহে লাহে
নেদেখা হ'ব ধৰিছো।
পুত্ৰক কেনেকৈ কওঁ
মোক বচোৱা
মই নাইকিয়া হ'ব লৈছোঁ।
নিথৰ জ্বলি ছাই হোৱা
দেহটি আকৌ আহি
মোৰ সন্মুখত থিয় দিলে।
নাজানো কোনে
নিয়ন্ত্ৰণ কৰিছিল
সেই দেহটি। কাৰণ তাত
কোনো আত্মা নাছিল।
তেওঁ কৈছিল, 'যোৱাগৈ
থিতাপি লোৱা আন কাৰোবাৰ দেহত
এতিয়া মই নাই।
মই আৰু একো নহয়।
মই মালতীও নহয়,
মই তগৰো নহয়
মই
এতিয়া ঈশ্বৰপুত্ৰী।

## হিয়াৰ আকাশৰ জোন নাইকিয়া

দীপজ্যোতি পৰাশৰ
বাৰেগাঁও, বাইহাটা চাৰিআলি

হিয়াৰ আকাশৰ
এতিয়া দেখো
জোন নাইকিয়া,
প্ৰীতিৰ সুবাসে
জীৱনটোক দিছিল
প্ৰেৰণাৰ উশাহ,
প্ৰেম আকাশৰ লহৰক
ৰাখিছিল সচেতনে,
এতিয়া দেখো জোনৰ মুখত
কলিয়া ডাৱৰহে পৰিছে,
ঢাকি ৰাখিছে
মনৰ মিঠা লগনক;
প্ৰেমবোৰক নিছে
অভিমানলৈ।।

## বতাহ

ধ্ৰুৱজ্যোতি বৰা
টটয়া গাঁও, মাজুলী

নগৰ-গাঁও, পাহাৰ
চাহবাগানৰ ঘামত
ভিজা মানুহৰ মাজত
এজাক প্ৰচণ্ড বতাহ বলিছে।

এ-চি কোঠাৰ পৰা
পথৰুৱা বাটলৈ নামি আহে
এজাক
চিনাকি-অচিনাকি মুখ-
আৰম্ভ কৰে এখন
মিঠা প্ৰতিশ্ৰুতিৰ ভাঁওনাৰ।
বোকা বালি ধূলিৰে
একাকাৰ হয় নিকা পোছাক

গাঁৱৰ ঘোমটি দোকানৰ
পৰা আৰম্ভ কৰি
ভাতৰ মজিয়ালৈ
চহৰৰ পদপথৰ পৰা
নামি দামি হোটেল ৰেষ্টুৰেণ্টলৈ
এক গৰম আলোচনা
কোনেবা মাৰে শেষ হাঁহি

বহুদিনৰ বিৰতিত
গাঁও সৰু চহৰ,
হাবি বনৰ মাজত
বিচাৰি আহে আপোন মিতিৰক
প্ৰতিশ্ৰুতিৰ বন্যাত
উটি যাই সহজ সৰল মনবোৰ
সিহঁতে সজায়
নিজৰে অট্টালিকা-
বতাহত উৰি যায়
সৰ্বসাধাৰণৰ
সৰু সৰু আশা।

## হৃদয়ত জাগি উঠা এটি বিষ

নিৰঞ্জন ঠেঙাল, গোলাঘাট

সাহসৰ তুলিকা আজি যে
ভীৰুতাৰ বেশত লুকাই আছে,
হাঁহিৰ আঁৰত সাঁচি থোৱা
অজান বেদনাৰ ৰঙেৰে ৰঙি আছে।

কোনেনো পাৰিব
তেওঁৰ সেই হৃদয়খনত সোমাবলৈ,
য'ত নিঃশব্দে বিন্ধি আছে
ভাল লগাৰ বিষটোৱে গভীৰকৈ?

সেই বিষটো কোনো আঘাত নাছিল,
নহয় এতিয়া কোনো অভিযোগৰ শব্দ-
সেইটো কেৱল এটা অনুভৱ,
যি নীৰৱে কান্দে, নীৰৱে জ্বলে সদায়।

সময়েও নোৱাৰিলে মচিব
সেই স্মৃতিৰ অলেখ দাগ,
কাৰণ কিছুমান ভাল লগা
বেদনা হৈয়েই থাকে-
বুকুৰ মাজত ভুতাতৰা হৈ জিলিকে...!

## নাহৰ ফুলিব জানো এইবেলি

শৰৎ দাস
ব্ৰহ্মাজান, গহপুৰ

চকুৰ পানীৰে বাট ধুই নিয়া
পথটিত কাইটিয়া এজাক
নিচিনা ফুল
ৰঘুমলাৰ দৰে মেৰিয়াই
পেলাইছে এফালৰ পৰা
গছ কাটি মৰুভূমি হোৱা
দেশত কাহানিও নুফুলে
এতিয়া নাহৰ কিম্বা ভালপোৱা
ফুলবোৰ
ধূলিয়ৰি ফাগুনৰ আচলত
ধৰি নাহে এইবেলি প্ৰাণৰ বহাগ

আহিব বা কিয়?
মৰুভূমিৰ বুকুত জানো
শুনিবলৈ পাম এইবেলি
হেৰুৱা বাঁহীৰ সুৰৰ ঝংকাৰ

বৰ উকা হ'ল শব্দৰ ফুলনিখন
প্ৰাণৰ এটি শব্দ হেৰুৱা
চহৰত ফুলিব জানো
এইবেল হেঁপাহৰ নাহৰ।।

## আন্ধাৰ

দলিচা বৰুৱা

নিদান ৰাতি আন্ধাৰবোৰে
আৱৰি ধৰে পৃথিৱীখনক
চাৰিওফালে নিতাল নি স্তব্ধ
কেৱল আন্ধাৰৰ ৰাজত্ব।

মাজৰাতি বৰষুণৰ টোপালবোৰেও
আন্ধাৰৰ সৈতে কাণে কামে
কথা পাতে ভাৱগধুৰ!
টুপ! টুপ! টুপ!

ৰহা বেলিটো মাৰ যোৱালৈকেহে
আন্ধাৰবোৰে বাট চাই থাকে,
বেলিটো মাৰ যোৱাৰ তৎক্ষণাত
আন্ধাৰবোৰে খিলখিলাই হাঁহে,
আনন্দত জঁপিয়াই উঠে,
আকৌ পৃথিৱীখনৰ প্ৰেমত পৰিব
পৃথিৱীখনক চুমা যাচিব,
পৃথিৱীখন তাৰ হব
কিয়নো পৃথিৱীখন যেন
তাৰ বহু আপোন।

ৰাতিপুৱা হোৱাৰ পৰত
বেলি উদয় হয়
আন্ধাৰবোৰে বলিয়া হৈ পৰে,
দুখত ভাগি পৰে,
শোকত শোক শোকাই কান্দে,
সিহঁত যাবৰ হ'ল
এই পৃথিৱীৰ পৰা বিদায় মাগে
আন্ধাৰবোৰ আকৌ আহিব
পৃথিৱীৰ প্ৰেমত পৰিব
আন্ধাৰবোৰৰ পৃথিৱীৰ সৈতে
গভীৰ ভালপোৱা
এই ভালপোৱা যুগ যুগান্তৰৰ
পৃথিৱীখনে আন্ধাৰক
এৰি থাকিব নোৱাৰে
পৃথিৱীখনে আন্ধাৰৰ
প্ৰেমত বাৰে বাৰে পৰে
নপৰিবনো কিয়?
এই ভালপোৱা যে নিস্বাৰ্থ
যুগ যুগান্তৰৰ।

## পৰিত্যক্ত ঘৰটো

ব্ৰজেন মেধি
চটাইবাৰী, বালিতাৰা

দুপৰীয়াৰ ৰ'দে দহি নিছে ঘৰটো
পোৰণিত চিৎকাৰ কৰি উঠিবলৈ
ঘৰটোৰ খোচনি উদং

আকাশৰ শূন্যতা নিলগাই
এচপৰা কপাহ বৰণীয়া মেঘ উৰি ফুৰিছে
বেলিটো ঢাকি ধৰিবলৈ
মেঘলৈ ঘৰটোৰ অলপো কাতৰধ্বনি নাই

দুপৰীয়াৰ নিৰ্জনতা ঠেলি
অতি আকুলতাৰে
এডাল বনৰীয়া লতাই
কোৰামুঠীয়াই বগাই
বেৰৰ ফাকেদি ঘৰটোৰ ভিতৰলৈ
সোমাবলৈ যত্ন কৰিছে
বুলনিত ঘৰটো চমকি উঠে

শূন্যতাৰ এচাটি বতাহ লাগি
লতাডালৰ আগটো কপে
সি ভিতৰলৈ যাবনে
বাহিৰ ওলাব

বিনা হাতে অহা-বাটে
উভতি যোৱাতো
বৰ কষ্টকৰ।

## ইন্দ্ৰধনু

মিনাক্ষী প্ৰিয়দৰ্শিনী

মেঘৰ দৰে যেন
তোমাৰ আশ্লেষ
কিছু অবুজ সাঁথৰ!

তৰাৰ দৰে যেন
নীলিম ময়ূখ
স্নিগ্ধ উত্তাল নয়ন!

নিশাৰ দৰে যেন
নিষ্প্ৰভ কাহিনী
নিৰদ্ধ মনৰ গহন!

তোমাৰ দৰে যেন
নিজম নিশীথ!

তোমাৰ দৰে যেন
ইন্দ্ৰধনুৰ উদয়ন!

তোমাৰ দৰেই!
তোমাৰ দৰেই যেন...
অপৰাহ্নৰ অদৰ্শন!

## মই ভোটাৰ

খগেশ্বৰ দাস
পণ্ডিতঘাট, কাৰ্বি আংলং

মই এজন সাধাৰণ ভোটাৰ,
শান্তিপূৰ্ণভাৱে বিচাৰোঁ
ভোটদানৰ অধিকাৰ।
মোৰ ভোট, মোৰ কথা -
দিম মই চিন্তা কৰি,
নহওঁ মই কাৰো কথাত বিচলিত।

ভোটৰ সময়তহে
নেতা-পালিনেতাৰ গা লৰে,
হাঁহি মাৰি পলাই যায় -
পাঁচ বছৰৰ বাবে।
মিছা কথাৰ ফুলজাৰি,
ভাষণ দিয়ে ডাঙৰ কৰি;
সত্য, নিকা, ভাল প্ৰাৰ্থীক -
নাযাওঁ মই পাহৰি।

তথাপিও সন্দেহ হয় -
পাঁচ বছৰৰ বাবে আমাক
আকৌ যাব নেকি এৰি?
হাঁহি মাৰি চলি যোৱা
তেনে নেতাক দিম আমি
উচিত শিক্ষা;
কি দল, কি পাৰ্টি -
নুশুনো আমি কাৰো মিছা কথা।
মোৰ ভোট, মোৰ কথা,
মোৰ বিবেক, মোৰ চিন্তা;
ভোট দিম যোগ্যজনক -
জয় কৰিব আমাৰ হৃদয়ক
কাৰণ, মই এজন সচেতন ভোটাৰ।

## কম্পিত হৃদয়

বিনীতা শইকীয়া
বনগাঁও, গোলাঘাট

জনাই নাছিলো ভাল লগাবোৰ
ভালপোৱালৈ কেতিয়া সলনি হৈ
তুমি মোৰ সকলোতকৈ
প্ৰিয় হৈ পৰিলা।
নিজৰ অজ্ঞাতে মোৰ ভগ্ন হৃদয়ত
তোমাৰ নাম লিপিবদ্ধ কৰিলোঁ।
নাজানো ভুল কৰিলোনে শুদ্ধ কৰিলো?
তোমাৰ প্ৰতি শব্দতে এতিয়া শিহৰিত হয়
মোৰ কম্পিত হৃদয়।
জানোছা মূহুত্বতে হেৰুৱাই পেলাওঁ
তোমাৰ উপস্থিতি।
তোমাক হেৰুৱাৰ ভয়ত
দুখৰ হুমুনিয়াহবোৰে অজানিতে
আহি হৃদয়ত থিতাপি লয়।
নিজৰ অজ্ঞাতে কেতিয়াবা
মৌনহৃদয়ে বহু কথা কয়।
মোৰ নিসংগ জীৱনত আশা ভৰষাৰ
সফলতাৰ জখলা তুমি।
কেতিয়াবা সুখৰ চাকনৈয়াত উটি ভাঁহি
কেতিয়াবা দুখৰ সাগৰত সাঁতুৰি
উকা কাগছত শব্দৰ মালা গাঁথি
নিজৰ মাজতে হওঁ বিলীন।
তোমাৰ প্ৰতি শব্দয়ে
ভালপোৱাৰ দিন লিপিত সোঁৰৱাই
অতীত বৰ্তমান আৰু ভৱিষ্যতৰ কথা।।
যদি কোৱা ভালপাওঁ বুলি
মৰম আৰু বিশ্বাসৰ প্ৰতিশ্ৰুতিৰে
তোমাৰ সোঁহাতখন খামুচি ধৰিম।
সাক্ষী হৈ ৰ'ব ফৰকাল আকাশৰ
জোন বেলি তৰা।
নিলীম আকাশে বৰষিব
প্ৰেমৰ প্ৰথমজাক বৰষুণ।।

## পৰিত্যক্ত ঘৰটো

ব্ৰজেন মেধি
চটাইবাৰী, বালিতাৰা

দুপৰীয়াৰ ৰ'দে দহি নিছে ঘৰটো
পোৰণিত চিৎকাৰ কৰি উঠিবলৈ
ঘৰটোৰ খোচনি উদং

আকাশৰ শূন্যতা নিলগাই
এচপৰা কপাহ বৰণীয়া মেঘ উৰি ফুৰিছে
বেলিটো ঢাকি ধৰিবলৈ
মেঘলৈ ঘৰটোৰ অলপো কাতৰধ্বনি নাই

দুপৰীয়াৰ নিৰ্জনতা ঠেলি
অতি আকুলতাৰে
এডাল বনৰীয়া লতাই
কোৰামুঠীয়াই বগাই
বেৰৰ ফাকেদি ঘৰটোৰ ভিতৰলৈ
সোমাবলৈ যত্ন কৰিছে
বুলনিত ঘৰটো চমকি উঠে

শূন্যতাৰ এচাটি বতাহ লাগি
লতাডালৰ আগটো কপে
সি ভিতৰলৈ যাবনে
বাহিৰ ওলাব

বিনা হাতে অহা-বাটে
উভতি যোৱাতো
বৰ কষ্টকৰ।

## কে আছে জাগ্ৰত

মোঃ ৰহমত আলী
খালিশপুৰ, বাংলাদেশ

কাৰো আত্মা মৃত,
কাৰো আত্মা ঘুমন্ত,
মানৱতা মানৱতা বলে —
চিল্লায়ে কী হবে বলুন তো?

কেউ স্বপ্ন দেখে জেগে,
কেউ স্বপ্ন খোঁজে খেটে,
তবে কে আছে সত্যি জেগে?
দেখানোৰ মানুষ সবাই সাজে!

কাৰ আছে হিম্মত,
কাৰ মাঝে হিকমত,
কে তবে আজ ইনসান?
মানুষ তো দেখি স্বাৰ্থে উন্মাদ!

## কবিয়ে কবিতা লিখে

হেৰম্ব নাথ

কবিয়ে কবিতা লিখে
হৃদয়-আত্মাৰ তাগিদাত
কবিয়ে কবিতা লিখে
মানুহক ভাল নাপালে
কবিতা লিখিব নোৱাৰি
কবিতা লিখাৰ সময়ত মনবোৰ
কোমলতাই আৱৰি ৰাখে
কেতিয়াবা চকুপানী নিগৰে

কিছুমান কবিতা আকৌ যন্ত্ৰণাত সৃষ্টি হয়
সেই কবিতাবোৰ যেনিবা
অভিজ্ঞতাৰ কষতি শিলত শাণিত
কিছুমান কবিতা আকৌ বিদ্ৰোহী
বিদ্ৰোহৰ অগণিত জ্বলি উঠে কবিতাবোৰ
বুকু ভেদে সৰ্বহাৰাৰ

কিছুমান কবিতা আকৌ প্ৰজ্ঞাৰ প্ৰতীক
যিবোৰ পঢ়িলে মন-মগজু শীতল হৈ পৰে

কিছুমান কবিতা আকৌ
বিৰহ-বেদনাসিক্ত
যেন এক প্ৰবঞ্চনাৰ দলিল
মুঠতে কবিয়ে কবিতা লিখে
হৃদয়-আত্মাৰ তাগিদাত
নিলিখাকৈ থাকিব নোৱাৰে কদাপি
লিখিলে হৃদয়খন শাত পৰে
আত্মাটোৱে শান্তি লভে।

## বিধবা

অনিন্দিতা কলিতা
সৃজনগ্ৰাম, বঙাইগাঁও

শুভ্ৰ বগা সাজত
জিলিকিছে তাই,
কপালখন ৰংবিহীন,
ৰঙবিহীন তাইৰ জীৱনৰ মুহূৰ্ত,
শব্দত গঢ়িব খোজা তাইক,
সমাজে হৰুৱাই,
সমাজে দুৰ্বল কৰাই,
তই বিধবা, তই নাৰী,
তোৰ কপালত নাই ৰঙ,

এদিন তাই জিনি লয়,
এদিন ওলাই আহে,
আৰু শক্তি প্ৰদৰ্শন কৰে কলমৰ,
কলমৰ শক্তিশালী ধাৰে হৰুৱাই
সমাজৰ কটু বাক্য।

## শেষ মানেই সমাপ্তি নহয়

প্ৰাণজিৎ দাস, অঞ্চলী, বাক্সা

সুখ আৰু দুখ,
সুখী হোৱা বুলি কলেইটো
সুখ পোৱা নাযায়
সুখৰ আৰতে থাকে একোটা জীয়া দুখ।
অপেক্ষা কৰিব পাৰিলে,
যেনেদৰে দুখৰ শেষত
পোৱা যায় কিছু সুখ।

বন্ধুত্ব,
দুটোপাল চকুলোঁ আৰু
এটি নিভাঁজ হাঁহিৰ দৰে
কোনো কৃত্ৰিমতা নাই স্বাৰ্থ নাই
দুখৰো সমভাগী সুখৰো সমভাগী
সুখ দুখ হাঁহি কান্দোন আজন্ম বন্ধুত্ব।

ফাগুন,
ফাগুন মানেই লঠঙা নহয়
আকৌ নকৈ কুঁহিপাত
মেলি ফুলাব ফুলনি।
উৰিব সেউজী আচল,
বহাগ আহিলে বুলি
কুলিটিয়েও জুৰিব
পুনৰ বসন্তৰ গান।

সমাপ্তি
শেষ মানেই সকলোঁ শেষ হৈ নাযায়,
শেষ মানেই সমাপ্তি নহয়
শেষৰ পৰাইটো আকৌ হব আৰম্ভণি।
যেনেদৰে তুমি আৰু
মোৰ পিছত আমি,
ফাগুনৰ পিছত চ'ত
চ'তৰ পিছত আকৌ বহাগ।

## বিধ্বংসীনি

প্ৰিয়ংকা দাস, বোকাখাট

শীতল বতাহ জাকৰ কাতৰোৱা
চিঞৰ জানো তুমি শুনিছা?
কিহৰ এই বিদৰোৱা বিশৃঙ্খল,
ৰুদ্ৰ ৰূপী ধাৰণত
যে নহয় কোনো পলম?
কাৰ এই অভিশাপ,
যিয়ে কৰে শীতলাক পথভ্ৰমী?
নোহোৱা নে কেতিয়াবা চিন্তিত,
শীতল বতাহ জাকৰ
ৰুদ্ৰ ৰূপী বিধ্বংসীনিক লৈ?

## বগা গোলাপ

এছ ইছলাম, বৰপেটা

শাৰদীয় পোহৰত
মন মোৰ হৰষিত
অনেক তৰালিয়ে
নাচে আকাশত।

নানা ভাব নানা ভাষাৰ
বহু আৱেগত
গীত গোৱা সুমধুৰ
মনৰ উলাহত।

মেঘমুক্ত আকাশৰ
সীমাহীন ৰূপ চাই
হে বগা গোলাপ,
মনৰ মাজত গুপুত বতৰা
দিয়া তুমি কাণে কাণে
জোনবাই লৈ চাই।

তোমাৰ শুভ্ৰ পাহিবোৰ
লাহে লাহে মেল খাই
কাকনো দেখুওৱা তুমি
ৰূপ মাধুৰী খিনি।

কিন্তু ইকি হায়!
কিনো বেজাৰত সৰি সৰি পৰা
বুকুত ৰাখি গোপন কথাটি
কিয় বাৰু চাটি ফুটি মৰা?

নিয়ৰে পিন্ধায় নিতৌ
মুকুতাৰ মালা
তাৰ জানো দিবা প্ৰতিদান?
যদি নিদিয়া তোমাক জানিম
জগতৰ বহুতৰ দৰে
আপোনপেটিয়া তুমি
নিষ্ঠুৰ পৰাণ।

## বহাগৰ গীতাঞ্জলিত এভূমুকি

ৰিতুপৰ্ণ শৰ্মা
চন্দন নগৰ, বেলতলা

প্ৰণয়ৰ ঢৌ সিঁচা বহাগৰ আমেজ
যৌৱনৰ মাদকতা ভৰা ঝংকাৰ
কপৌ পাহিয়ে নিজৰা
বিয়পাব প্ৰেমিকৰ অন্তৰ
নাহৰ তগৰৰ উপসিৰাত
সাঁতোৰিব পকনীয়া আশা
জেতুকাৰ সৃষ্টিৰ জীৱন কলাৰ
ভাৱনাৰ মোহ
জীপাল বৃষ্টিয়ে মন আজোঁৰা
সেমেকা মজিয়া
ঠেৰেঙা লগা শীতৰ
মৃগনাভিৰ ৰূপৰ ৰহণ
প্ৰকৃতিৰ ন-ফুলৰ ৰাঙলী
আভাসৰ দলিচা
ৰঙা শিমলুৰ পাৰভগা আনন্দ
শিমলুৰ উদং বুকু সজীৱন হব
বহাগৰ স্পৰ্শ আতুৰা
জিৰিক জিৰিক বাঁহীৰ সুৰ
বহাগৰ আবেগে টগবগাই
যৌৱনৰ মধুৰ ক্ষন
বহাগত জী উঠা কপৌৰ
শিহৰণ ধ্বনি
জীৱন জীয়াৰ অনন্য যাত্ৰা
কলিজাত ৰহণ সনা
নাচনীৰপঁপুৰ দৃষ্টিভংগী
নাচনীৰ নাচত উত্তাল
জীৱাস্মৰ সৰাপাত
ৰিঙা ৰিঙা মাতেৰে
যৌৱনৰ আগজাননি দিছে
ব'হাগৰ ডোলে সিঁচি দিয়া
প্ৰণয়ৰ পুষ্পবোৰ
মানস পটৰ স্মৃতিত আপোন বহাগ
সেউজ সপোন ৰচাৰ বাট বুলিছে
দেহ মন উত্তাল কৰা
বহাগৰ ভৰুন বুকু।।

## মনালিছাৰ হাঁহি

ফখৰুদ্দিন আহমেদ

হাঁহিটো দেখোন সৰ্বজন বিদিত।
নাকৰ তলত প্ৰস্ফুটিত হাঁহিটোৰ
বাবে মনালিছা বিখ্যাত হ'ল।
হাঁহিটোৰ ব্যাখ্যা কৰি কৰি
বহুতে ডক্টৰেট পালে।
কিন্তু উপযুক্ততাৰ অভাৱত
কোনোটো ব্যাখ্যাই গ্ৰহণযোগ্যতা নাপালে।
কেৱল সম্ভৱ,
হ'ব পাৰে আদিৰ শব্দৰ
আৱৰ্তত হাঁহিটো ওলমি থাকিল।
লিওনাৰ্ড দ্যা ভিঞ্চিৰ
মানসকন্যাৰ মুখখন হৈ আছে
পৃথিৱীবাসীৰ বাবে উৎসুকতা
আৰু অনুসন্ধিৎসাৰ অনাবিল উৎস।

জীৱন্ত কোন সুন্দৰীৰ হাঁহিৰ
পটভূমিৰ বিচাৰোতে যুগজয়ী হৈছিল
হাঁহিটোৰ সুন্দৰ মুখাবয়ৱ?

সেয়েই মনালিছাৰ হাঁহিটোত
আন্তৰিক কপটতা নাই।
কাৰণ হাঁহিটো জীৱন্ত
মনালিছাৰ সুন্দৰতা নহয়।
হাঁহিটো লিউনাৰ্ড দ্যা ভিঞ্চিৰ
মানসকন্যাৰ জীৱন্ত প্ৰকৃতি।

## চ'ত

জিণ্টু চাংমাই
গেন্ধালী মাজৰআটি, চামগুৰি

দ্বিমান অধিপ
পাৰ্থক্য আৰু শ্ৰেষ্ঠতাৰে
কোন সৰ্বশেষ সৰ্বশ্ৰেষ্ঠ?

চেঁচুকীয়া পাণ আৰু
জেলুকীয়া প্ৰাণ চ'ত ৰ'দঘাই
খবৰ কাকতৰ বিজ্ঞাপন হৈ কবিতা
পেটৰ ভোক আৰু শোকসভা
সন্মুখত কবি ৰৈ থাকে
চিকুণ হ'ব এদিন মানুহ আৰু
হৃদয় কবি খেতিখোলা।

জী থকালৈ কিমান অনুশীলন
প্ৰিয় স্বাৰ্থত প্ৰীতি আয়োজন
প্ৰাণহীন কৰিবলৈ যে কত মুহূৰ্ত জুই
গ্ৰাহ গজেন্দ্ৰ উপাখ্যান কীৰ্তন কৰি
পুবে সূৰ্য আবেলি পশ্চিম হ'বলৈ
ৰ'বলৈ মানুহ থ'বলৈ মানুহৰ বাবে
পৃথিৱী নে আহৰি কিছু প্ৰয়োজন।

## ডিজিটেলী

অবিনাশ বাস্তৱ

অলপতে পূৰ্ণিমা গৈছে।
বেলকনিত বহি আকাশৰ
তৰা গণি থকাৰ পৰত,
এনে ঘটনাতো মোৰ স'তে
কোনোদিন ঘটা নাছিল...!
লাহি আঙুলিৰ সামান্য পৰশত
হাততে নাচি উঠে গোটেই পৃথিৱীখন।
এৰেগেতিয়া পৃথিৱীখনক
তলাবদ্ধ কৰি ৰখা জানো ইমান সহজ!
লাহি আঙুলিৰ স্পৰ্শত নামি আহিল
টিকটকৰ ৰিলচ;
হোৱাটচএপ গ্ৰুপৰ বৰষুণ
হাততে পোৱা গ'ল উদাসীনতাৰ
একমাত্ৰ ভৰসা
ডিজিটেলী আলহী হৈ আহিল
ফাগুনীয়া আবেলিটো।
আজি আৰু নিশা নাহে!
হেঙুলীয়া আবেলি এটা মূৰতে লৈ
এনড্ৰইদৰ সিপাৰে ৰৈ আছে
আন এখন পৃথিৱী।
মোৰ উদ্বিগ্নতা, উদাৰতা,
নিসংগতা যাওক ৰসাতলে
চকুৰ পতাত ওলমি ৰয়
স্বপ্নভংগৰ কবিতা,
মই আওৱাই আছোঁ
এখন উৰলি যোৱা নাটকৰ সংলাপ।
অলপ অলপ কথাতে ডিজিটেলী
বেহিচাপী বাৰ্তালাপ
সমগ্ৰ পৃথিৱীখন অৰ্পন কৰিব
পৰাকৈ চালাসী প্ৰশ্নবান
কলিজাৰ টুকুৰাটো পুনৰবাৰ
আহত নোহোৱাকৈ
মুহূৰ্তৰ বাবে সাবতি ল'লো
জীৱন জীয়াৰ মন্ত্ৰ।

## আদহীয়া গধূলি এটাত তই আৰু মহ

উৎপল ভট্টাচাৰ্য্য

জ্বলা জুইকুৰা ফুৰাই ফুৰাই
বঢ়াই লওঁ আহ বুকুৰ উত্তাপ।
এদিনলৈ হৈ পৰো
ওভতনি সোঁতেৰে যুঁজ দিয়া নাৱৰীয়া।
ঘাটে ঘাটে তোৰো আছে
মোৰো আছে আঘোণৰঙী অতীত।

অতীতনো কোনে আনিবপাৰে বুটলি?
সুতলিৰ ফুটাত সুহুৰিয়াই
বহাগ উদ্‌যাপনৰ বৃথা চেষ্টা মাথোঁ।

এদিন তুঁহজুয়ে পুৰঠকৰা দেহা
কোনে জানে,
বাঁহৰ জুয়ে
নে খৰিৰ জুয়ে
নতুবা বিদ্যাযুতৰ শেতেলিতে কিজানি
ঠিকনা হেৰুৱাই!
কি ঠিক,
ঠিকনা বিহীন হৈ
মৃত শৰীৰটো
কিজানি পৰি ৰয়
কোনোবা অচিন ঠাইত!

আজি স্মৃতিৰ উত্তাপত
উমনি জগক স্মৃতি
শৈশৱৰ চপলতাত
উজুতি উবুৰি খায়
ফাটিলে ফাটক কপালখন।
অন্ততঃ কাৰো অপকাৰ নকৰাকৈ
নিৰিহ জীৱনৰ অধিকাৰী
হোৱাৰ সুবাদত
উদ্‌যাপন কৰো আহ
এটা আদহীয়া গধূলি...

## স্বাধীনতা আৰু ন্যায় আজি কোন দিশে?

হেমন্ত দলে
বঠাখনা, ধেমাজি

স্বাধীনতা আৰু ন্যায় আজি কোন দিশে?
স্বাধীনতা আজি বিচাৰিব গৈ
জনতাই দিব লগা হৈছে প্ৰাণৰ আহুতি,
ন্যায়ক আজি বিচাৰিব গৈ জনতাই
নিজৰ অস্তিত্বক হেৰুৱাব লগা হৈছে।

আজি জনতাই মোক সাক্ষাৎ কৰিছে
আজি জনতাই মোক প্ৰশ্ন কৰিছে,
স্বাধীনতা আৰু ন্যায় আজি কোন দিশে?
যদি স্বাধীনতাই মানৱৰ অধিকাৰ হয়
যদি ন্যায়ে জনতাৰ প্ৰাপ্তি হয়,
আজি কিয় বিচাৰিব লগা হৈছে
প্ৰতিটো ক্ষণে ক্ষণে?
আজি কিয় হ'ব লগা
হৈছে জনতাই হাহাকাৰ?
ন্যায়ৰ প্ৰতিবাদতো যেন
আজি নিৰাশাত।

স্বাধীনতা আৰু ন্যায়ক
বিচাৰি আজি জনতাই
নিজৰ গাৰ গাম মুচি মুচি
চকুৰ পানী টুকি টুকি,
আন্দোলনত আজি নামিব লগা হৈছে;
কিছুমান অসমীয়া যুঁজাৰুৱে
মৃত্যু মুখত পৰিছে।

তেজত তেজ লগ লাগি
লাল হৈ পৰিছে
সমগ্ৰ ভাৰতবৰ্ষৰ নদ-নদীবোৰত,
বীৰ অসমীয়াৰ এক বৃহৎ আন্দোলনত
পাহাৰ-পৰ্বত মালভূমি সমভূমিত
বৃহৎ ধূলিময় সৃষ্টি হৈছে;
আজি অসমীয়া জনতাই হৈ পৰিছে
চাৰিওফালেই যেন অসহায়।

হে.... মহান দেশৰ সেৰা শক্তি
তোমাক কৰিছোঁ আমি বিনতি,
দিয়া আমাক দিয়া অসমীয়াক
জীয়াই থাকিবলৈ এটি সুৰক্ষা;
মানৱ হিচাপে এটি নিৰাপত্তা
এটি স্বাধীনতা আৰু ন্যায়ৰ প্ৰাপ্তি।

## যন্ত্ৰ হ'লেও নোৱাৰি হেনো এতিয়া মানুহ হ'ব

কম্পি বৰুৱা, নাৰায়ণপুৰ

শব্দ মাথোঁ হৃদয়ৰ,
স্বপ্ন মাথোঁ ৰাতিৰ,
অথচ হাহাকাৰ কৰে দিনৰ!
আৱেগৰ কহোৰণ ফালি গুছি যায়।
ৰৈ যোৱাৰ এতিয়া কোনো প্ৰশ্ন নুঠে,
মাথোঁ গুছি যায়
নিজস্ব অভীৰুচিৰ আলাম বিচাৰি
মাথোঁ গুছি যায়!
ঘূৰি চাইছে জানো?
নাই নেচাই!
উভতি অহাৰ এটা নাম লব নোৱাৰি
যন্ত্ৰ হ'লেও নোৱাৰি হেনো
এতিয়া মানুহ হ'ব
হৃদয়শীল প্ৰাণৰ
এই জগতত স্থান নাই বুলি
চিঞৰি চিঞৰি গীতযুৰি
মাথোঁ গুছি যায়
যন্ত্ৰ হ'লেও নোৱাৰি হেনো
এতিয়া মানুহ হ'ব।

## ৰোগ

দলিচা বৰুৱা

মই যেন এটা ৰোগ
বিছনাত চটফটাই থকা,
শৰীৰত বীজাণুৱে
আক্ৰমণ কৰা ৰোগ নহয়,
জীৱন তৃষ্ণাৰ উপলব্ধত
জীৱন উপভোগৰ
ব্যাকুলতাত এই ৰোগ।

মই এটা ৰোগ
জীৱনৰ পাহৰিব নোৱাৰা
কিছুমান স্মৃতিৰ ৰোগ,
সংগ্ৰামৰ জখলাত বগাই
এই ৰোগত মই আক্ৰান্ত।
মই যেন এটা ৰোগ।

এই ৰোগৰ সমাধান ক'ত?
এই ৰোগৰ ঔষধ ক'ত?
ঔষধ নাই, সমাধান নাই
মই চটফটাই থকা এটা বীজানু।

মই যেন এটা ৰোগ
আকৌ কওঁ,
মই এই ৰোগত আক্ৰান্ত
মই যেন এটা ৰোগ।

## ৰাগ মেঘমল্লাৰ...

উষা গগৈ, শিৱসাগৰ

সেইদিনা বাজি উঠিছিল মেঘমল্লাৰ
ভাবিছিলোঁ বৃষ্টিৰ সতে
বিনিময় কৰিম মোক
হেমন্তৰ আচম্বিত আমন্ত্ৰণত
মেঘমল্লাৰৰ মৃদু মধুৰ গুঞ্জন...

ভাবিছিলোঁ ময়ো
মোৰ হৃদয়ৰ গভীৰত
বৈ থকা সলিলাই
চঞ্চল তটিনী হৈ নাচি উঠিব
ভাঁহি উঠিব মধুৰ বিষাদসনা
মিঠা অনুৰাগ।

হেমন্তৰ আচহুৱা বতাহজাকে
উৰুৱালে মেঘমল্লাৰৰ মধুময় ৰাগ
মোৰ হৃদয়ৰ সলিলাই
হেৰুৱালে চঞ্চল কল্পনা
শীতৰ দৰে শীতল
বৰফৰ দৰে শুভ্ৰ অনুৰাগ মোৰ
পুনঃ বৈ থাকিল
বৈ থাকিল
মোৰ একান্ততাত
অহৰহ
মধুময় বিষাদ হৈ...

## সপোনবোৰ

জ্যোতিষ্ণা বৰপূজাৰী
জাঁজী জামুগুৰি, শিৱসাগৰ

সপোনবোৰ-
কেতিয়াবা পাখি মেলি উৰিব বিচাৰে
মুক্ত আকাশৰ অসীম নীলিমাত,
য'ত কোনো সীমা নাই,
নাই কোনো বাধা,
মাত্ৰ স্বাধীনতাৰ মিঠা সোঁত।
আৰু কেতিয়াবা
সপোনবোৰ ক্লান্ত হৈ পৰে,
ৰৈ যাব বিচাৰে
গভীৰ সাগৰৰ নীৰৱ বুকুত,
য'ত শব্দবোৰো হেৰাই যায়,
আৰু অনুভৱবোৰে লুকুৱাই ৰাখে
নিজৰ অজানা কাহিনী।
জীৱনৰ পথত
অসংখ্য ধূলি-বালি,
বতাহৰ জোকাৰণি,
আৰু সময়ৰ কঠিন পৰীক্ষাই
সপোনবোৰক কেতিয়াবা দোলাই দিয়ে-
ভাঙিবলৈ চেষ্টা কৰে,
হেৰাই পেলাবলৈ বিচাৰে
সেই সৰু সৰু আশাবোৰ।
তথাপিও
সপোনবোৰ কেতিয়াও থমকি নাথাকে।
সেয়া নীৰৱে, অলক্ষ্যে,
হৃদয়ৰ গোপন কোণত
আঁতৰাই ৰাখে নিজৰ পোহৰ,
অপেক্ষা কৰে সঠিক সময়ৰ।
কেতিয়াবা চকুত পানী আহে,
কেতিয়াবা মনটো ক্লান্ত হয়,
কিন্তু সেই ক্লান্তিৰ আঁৰতেও
এটা সৰু পোহৰ জ্বলি থাকে-
সেই পোহৰেই সপোন।
বাধাবোৰ আহে
ঢৌৰ দৰে একে পিছত আন এটা,
বতাহে দোলাই দিয়ে
বিশ্বাসৰ গছজোপা,
তথাপিও সপোনবোৰ
শুকাই নাযায়,
মৰি নাযায়-
সেয়া পুনৰ উঠি দাঁড়ায়,
নতুন শক্তি লৈ,
নতুন আশা লৈ,
নতুন বাট বিচাৰি।
সপোনবোৰে শিকায়
পৰা মানেই শেষ নহয়,
হেৰাই যোৱা মানেই হাৰি যোৱা নহয়,
অন্ধকাৰ মানেই
পোহৰৰ শেষ নহয়।
কাৰণ,
সপোনেই জীৱনৰ সেই সাহস
যিয়ে মানুহক আগবাঢ়িবলৈ শিকায়,
ভাঙি গৈয়ো গঢ়িবলৈ শিকায়,
অন্ধকাৰৰ মাজতো
পোহৰ বিচাৰি ল'বলৈ শিকায়।

## খোজ

প্ৰভাত বণিয়া

কোৱা হয় গৰজা মেঘে বৰষুণ নিদিয়ে
চাপৰিলেই মেঘ নাতৰে
উন্মাদ উদগুহতে হাঁহে কিৰিলিপাৰি
সময় দুৰ্দান্ত
গীৰিপ গাৰাপ খোজ থৰহৰি কম্পমান
সময় সন্নিকট বিচাৰি লব লাগে
জীৱন জিনাৰ নিৰন্তৰ পথ যি সদায়ে
মসৃণ, নিষ্কলুষ
শান্তি সম্প্ৰীতি,
ঐক্য সংহতিৰ মন্ত্ৰধ্বনি আওৰাই
যি পথৰে আগবাঢ়ি আহে বৰ্ণিল
শোভাযাত্ৰাকাৰীৰ সমদল।

## আপোনাক মই ভালপাৱ বিচাৰোঁ

উদয় শইকীয়া

আপোনাক এদিন লগ ধৰিব বিচাৰোঁ,
প্ৰেমৰ কবিতাৰে জীপাল কৰিব খোজো
এই বাসনাৰ সন্ধিয়া;
প্ৰতিটো মুহূৰ্ততে পাহৰি যাব বিচাৰোঁ
হৃদয়ত ৰেপচি দিয়া পুৰণি বেথা।

আপোনাক মই ভালপাৱ বিচাৰোঁ।
পল, অনুপল গণি আপোনাক
মই নিজৰ কৰিব বিচাৰোঁ,
আপোনাক মই ছাঁটোৰ দৰে
নিচেই ওচৰত বিচাৰোঁ।
আপোনাক মই মোৰ নামেৰে
আনে মাতাতো বিচাৰোঁ,
আপোনাৰ শিৰৰ সেন্দূৰখিনি প্ৰকৃততে
মোৰ নামত বিচাৰোঁ।

আপুনি মোক ভালপাৱ বিচাৰে নে?
আপুনি মোক নিজৰ বুলি ভাৱে নে!
আপুনি বাৰু নিভয়ে বিচাৰে নে,
দুটি মন এটি হোৱা।
ৰাতি হ'লে দেখেনে!
নিজগৰী ভাৱনাত মোৰ সপোন।

## ফাগুনৰ প্ৰথমজাক বৰষুণ

আয়শা ছিদ্দিকা (আছৰি)
বাংলিপাৰা, বৰপেটা

নিজুম ৰাতিৰ নিৰ্জনতা ভেদ কৰি
শুষ্ক ধৰিত্ৰীৰ ধূলিয়ৰি ফাগুনৰ
অশান্ত হৃদয় শান্ত কৰি
এক সুগন্ধিময় সুবাস চটিয়ালে।

ধূলিত তল যোৱা প্ৰাকৃতিয়েও
চিৰ-চিনাকি মনোমোহা ৰূপ লৈ
চিকমিকাই উঠিছে নতুন ৰূপত
ন-গাভৰুজনী হৈ।

সৰাপাতৰ বিষাদ তল পেলাই
ন-কুঁহিপাতক আলফুলে আদৰি
প্ৰকৃতিৰ ৰূপ লাৱণ্য দ্বিগুণ কৰিছে
তাতে আকৌ কুলি-কেতেকীৰ
শুৱলা মাতে মুগ্ধ কৰে চৌদিশ।

ফাগুনৰ প্ৰথমজাক বৰষুণৰ
সেই চিনাকি মাটিৰ গোন্ধত
হেৰাই যাওঁ বাৰে বাৰে নিজৰ পৰা
প্ৰকৃতিৰ এই অপাৰ মহিমাত।

